তলসৰা ফুলৰ গুটি

307

আভাস কাব্য।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্ৰীহিতেশ্বৰ বৰবৰুৱা প্ৰণীত।

যোৰহাট, আসাম।

সন ই° ১৯১৪

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY

বেচ ॥৹ অনা।

Printed by—M. Ghose.
Samaj Press, 83-1 Grey Street, Calcutta.

শ্ৰীহিতেশ্বৰ বৰবৰুৱা।

Artist Press. Calcutta.

তলসবা ফুল

—:o:—

আভাস

[কাব্য]

" The fool who seeks a poet's fame
Must look for ridicule and blame,
Like tiptoe dwarf who fain would try
To pluck the fruits for giants high;
Yet I may enter through the door
That mightier poets pierced of yore;
A thread may pierce a jewel, but
Must follow where the diamond cut "

Arthur G. Ryder's Translation of
" **Roghu-Vansha**."

শ্রীহিতেশ্বৰ বৰবৰুৱা প্ৰণীত।

যোৰহাট, আসাম।

পাতনি।

"আভাস কাব্যৰ বৰ্ণীত বিষয় কেইটি পাঠক পাঠিকা সকলৰ ওচৰত নতুন নহলেও, এই কাব্য খনিৰ লিখা প্ৰণালী অসমীয়া ভাষাত সম্পূৰ্ণ নতুন বুলিলেও মিছা কোৱা নহয়। এই নতুন প্ৰণালী অবলম্বন কৰি, আমি কিমান দূৰ কৃতকাৰ্য্য হৈছোঁ, সেইটো পাঠক পাঠিকা সকলে বিচাৰ কৰিব

শেহত কওঁ, যে এই পুথিখনি পঢ়ি যদি কাৰো মনত কণামাত্ৰও সন্তোষ জন্মে, তেনেহ'লেই আমি আমাৰ পৰিশ্ৰম সফল হৈছে, বিবেচনা কৰিম।

ইতি - ১লা মেই, ১৯১৪।

জদৰি বৰবকৰাৰ আলি
গোৱহাটী।

শ্ৰীচিত্তেশ্বৰ বৰবৰুৱা।

সূচী পত্র।

বিষয়	পৃষ্ঠা।
রাধা	১
বৃন্দা	৪
বৈদেহী	৬
দৈবকী	১০
যশোদা	১৩
রোহিণী	১৬
সুভদ্রা	১৮
উত্তরা	২১
সাবিত্রী	২৬
অহল্যা	৩৩
দ্রৌপদী	৩৮
কুন্তী	৪২
তারা	৪৬
মন্দোদরী	৫০
জনা	৫৩
তিলোত্তমা	৫৬
অরুন্ধতী	৫৯
জোচেফাইন (Joshephine)	৬১
জোয়ান ডার্ক (Joan d'ark)	৭৩
বোডেচিয়া „ (Boadecea)	৭৬
লায়লা „ „ „	৮০

PLEASE HANDLE THE BOOK CAREFULLY

আভাস কাব্য ।

ৰাধা ।

বৃকভানু কন্যা ৰাধা ! অযোনা সম্ভবা,
দ্বাপৰত পূৰ্ণৰূপে লক্ষ্মী অৱতাৰ ;
গোকুল লীলাৰ তুমি প্ৰধান নায়িকা,
পাৰত তোমাৰ কৰি কৰে নমস্কাৰ ॥
ঈশ্বৰ প্ৰেমিকা তুমি, অনন্ত প্ৰেমেৰে
বান্ধিছিলা ঈশ্বৰক দোলেৰে ভক্তিৰ ।
লাহৰী হিয়াত কত সহিলা গঞ্জনা
কুটীলাৰ,—আৰু, দেৱি ! গোকুল বাসীৰ ॥
মিছা কলঙ্কৰ বোজা কত ব'লা তুমি,
কত অপবাদ দিলে ননদে তোমাৰ ;
সি সবত তুমি কিন্তু কটাক্ষো নকৰি
পুজিছিলা শ্ৰীকৃষ্ণক, মুক্তিৰ আধাৰ ॥
কৰিলে দেখাই পুজা কৃষ্ণৰ পাৰত,
গঞ্জনা শুনিব লাগে শাহু ননদৰ ;

DISTRICT LIBRARY
(... COLLECTION)

সি ভয়ত তুমি, দেবি ! চাপিছিলা কাষ
বীৰলে লুকাই, সেই পবিত্র প্রেমৰ ॥
বীৰলে পবিত্র ভাবে পুজিবৰ মনে
এক চিত্ত হই, দেবি ! কৃষ্ণৰ পাৰত,
মুৰুলীৰ মাত শুনি ওলোৱাঁ বাহিৰ
মাজ নিশা !—নাই শঙ্কা, উলাহ মনত ॥
যতদিন গোকুলত আছিলে গোপাল
(পূর্ণ অৱতাৰ হৰি) পুজিছিলা নিতে
শ্রীকৃষ্ণক হাতে হাতে, ভকতি ফুলেৰে,
প্রেমৰ লগাই ধুপ, নিৰমল চিতে ॥
স্বর্গীয় প্রেমত তুমি বলিয়ানী হই,
সাদৰী বৃন্দাক লই সহায় লগত,
কত পুজা, আৰাধনা কৰিলা কৃষ্ণক
নির্জ্জন ৰাতিত, সেই নিকুঞ্জ মাজত ॥
তিয়াগি গোকুল কিন্তু গ'লা যেৱে হৰি
উদ্ধাৰিব' মথুৰাত জনক জননী
কংসক বিনাশ কৰি ;—সিকালত তুমি
কান্দিলা বহুত, হই কৃষ্ণ-উন্মাদিনী ॥
ভক্তৰ অধীন হৰি, অধীন প্রেমৰ,—
নোৱাৰিলে পাহৰিব ভকতি তোমাৰ ;

ৰাধা ।

তোমাৰে সহিতে পুণ্ মিলিবৰ মনে,
প্ৰভাসত পাতে যজ্ঞ করুণা আধাৰ ॥
প্ৰভাসত গই তুমি পূজিলা আকউ
শ্ৰীকৃষ্ণৰ পাদপদ্ম অতি হেপাহত,
ঈশ্বৰ প্ৰেমত দিলা দেহা উটুৱাই,
লীন হ'ল দেহা তযু কৃষ্ণৰ পাৱত ॥

প্ৰণমো তোমাক, দেবি ! কৰোঁ নমস্কাৰ ।
লক্ষ্মী অৱতাৰ তুমি !- -দেখালা মৰ্ত্ত্যত
স্বৰ্গীয় প্ৰেমৰ ছবি, ৰাধা নাম ধৰি
আছিলা দুদিন মাথো তুমি গোকুলত ॥
যি কাৰণে আহিছিলা, কৰিলা সাধন
ৰাখি গ'লা ছবি এটী পবিত্ৰ ভাবৰ ;
দেখুৱালা জগতক বৰ্ণাব নোৱাৰা
জ্বলন্ত দৃষ্টান্ত এটী ঈশ্বৰ প্ৰেমৰ ॥

বৃন্দা।

ব্ৰজৰ গোপিনী তুমি, শ্ৰীমতীৰ দূতী ;
নিকুঞ্জ বনত তুমি ৰাধাৰ দুৱৰী ;
শ্ৰীকৃষ্ণৰ প্ৰিয় সখী-গোকুল-লীলাৰ
তুমিও প্ৰধান এটী নায়িকা,-সুন্দৰি !
ৰাখানো তোমাক, দেবি ! চিনিছিলা তুমি
ৰাধাকৃষ্ণ দুয়োজনে ; —ভক্তিৰ প্ৰেমেৰে
মোহিছিলা দুয়োজনে ; ৰাখিছিলা বান্ধি
সখী বুলি ভক্তি ভাৱে, মৰম-দোলেৰে ॥
ৰাধাই (তোমাৰ সেই স্নেহৰ সখীয়ে)
কুটীলাৰ গঞ্জনাত, বিয়াকুল হই
চকুপানী টুকি যেৱে কান্দিছিলে, দেবি !—
অন্তৰৰ যত কথা উলিয়াই কই,—
সিকালত তুমি কত দিছিলা প্ৰবোধ
জৰ্জ্জৰিতা শ্ৰীমতীক ; সখীৰ প্ৰেমত,
সখীৰ কাৰণে তুমি সহিলা কতনা,
কত দুখ অপমান কোমল প্ৰাণত ॥
যমুনা তীৰত, সেই নিকুঞ্জ বনত,
নিজম গহীন নিশা,-ৰাতি পূৰ্ণীমাৰ ;

তুমিয়েতো তেঁও, দেবি ?—প্ৰেমিকা ৰাধাক
আয়োজন কৰি যেয়ে দিছিলে পূজাৰ ?
"শ্ৰীকৃষ্ণ পূজা"ৰ দেবি ! পূজ্য বংশীধাৰি,
ৰাধিকা পূজিতা,—তুমি পূজা কৰাওতা ;
নোহোৱা হেতেন তুমি দূতী ৰাধিকাৰ,
আছিলে কোনোবা আৰু কৃষ্ণক আনোতা ?
আয়োজন কৰি পূজা, নিকুঞ্জ মাজত
ৰাধাক ৰাখিয়া কাৰ, তুমিয়েতো যোৱা
কৃষ্ণক আনিব মাতি গোপনে গোপনে,
ৰাধাৰ সংবাদ, দেবি ! তুমিয়েতো কোৱাঁ ?
নোহোৱা হেতেন, দেবি ! জনম তোমাৰ
"শ্ৰীকৃষ্ণৰ ব্ৰজলীলা" পবিত্ৰ নিৰ্ম্মল,
নহলে হেতেন পূৰ্ণ এই জগতত,
নব'লে হেতেন ছবি ৰাধাৰ উজ্জ্বল ॥

ব্ৰজ-লীলা অৱসান কৰি বংশীধাৰি,
অক্ৰূৰে সইতে যবে গলা মধুপুৰি,
তুমি কি নোহাৱা, দেবি ! কান্দিলে যি শোকে
ৰাধাৰে সইতে, টুকি চকুলো দুধাৰি ?
ভক্তিপ্ৰেম পাগলিনী,—ভক্তিত তোমাৰ
"সখী বুলি আদৰত মাতে বংশীধাৰি।

অতি ভাগ্যৱতী তুমি, পালা হাতে হাতে
ভক্তি-প্ৰেম ফুলে স'তে পূজিব মুৰাৰি ॥
দিনৰাতি কৰে ধ্যান যাৰ শ্ৰীচৰণ
ব্ৰহ্মাআদি লোকপাল, নাৰদাদি মুনি,—
তেনুৱা কৃষ্ণৰ তুমি দূতী ৰূপী সখী
প্ৰণমো তোমাক আমি, ব্ৰজৰ গোপিনি !

বৈদেহী।

অযোনী সম্ভৱা, দেবি জনক জীয়াৰি !
পবিত্ৰ কাৰিনী তুমি আপুনি কমলা ;
স্বামীৰ নিমিত্তে মাথো মিথিলা পুৰত
মৈথিলীৰ ৰূপে তুমি অৱতীৰ্ণ হ'লা ॥
হৰধনু ভঙ্গকৰি, লভিলে তোমাক,
(ৰমণী কুলৰ ৰত্ন) ৰামে জগতত :
বিষ্ণু অৱতাৰ ৰাম, তুমি বিষ্ণু প্ৰিয়া,
কমলা-কমলাপতি মিলিলা মৰ্ত্ত্যত ॥
কিন্তু, হে বৈদেহী দেবি ! কপাল দোষত
সুখভোগ নঘটিলে ভাগ্যত তোমাৰ ;

স্বামী দেৱৰৰে স'তে গ'লা বনলই
বিষাদত টুকি টুকি চকুলো দুধাৰ ॥
নুশুনিলা কাৰো বাধা, কোমল দেহাত
গছৰ বাকলি পিন্ধি, স্বামীৰ লগত
ফুৰিছিলা বনে বনে, মুনি পত্নী স'তে
খেলিছিলা কত ৰঙ্গে আশ্ৰম তলত ॥
সুখ সম্ভোগত উঠা কেচুৱাৰে পৰা,
অৰণ্যৰ দুখ কিন্তু দুখ নাভাবিলা ;
পতিপদ সেবা কৰি, পতিব্ৰতা তুমি
অৰণ্যতে স্বৰ্গসুখ ভোগ কৰিছিলা ॥
বিধিৰ নিৰ্ব্বন্ধ কিন্তু নখণ্ডিলে তথাপি।—
তোমাক হৰণ কৰি নিলে দশাননে—
পঠিয়াই মাৰিচিক মায়া মৃগ কৰি,
আঁতৰাই দুটী ভাই বুদ্ধিৰ ছলনে ॥
কত চেষ্টা কত যত্ন কৰিলে লঙ্কাত
সতীত্ব ৰতন তথাপি হৰিবৰ মনে,
কিন্তু কিবা সাধ্য তাৰ ! নোৱাৰিলে চুব
ৰাক্ষস কুলৰ কেতু পাপীষ্ঠ ৰাৱণে ॥
ভগ্নমনোৰথ হই, অশোক বনত,
বন্দিনী কৰিলে, দেবি ! তোমাক নিৰ্দ্দয় ;

কত কান্দি সিকালত উখহালা চকু
অকলে অকলে, তুমি বিয়াকুল হই ॥
ভাগ্যবলে কিন্তু, দেবি ! দুখৰ কালত
পাইছিলা এটী তাত সঙ্গিনী প্রাণৰ ;
সৰমা, সৰল প্রাণা, বিভিষণ প্রিয়া
প্রফুল্ল পদ্মিনী, দেবি ! ৰাক্ষস কুলৰ ॥
সৰমাৰে স'তে দেবি ! অশোক বনত
কটালা বহুত কাল ; পাছে তযু স্বামী
সবংসে ৰাক্ষস নাশি, কৰিলে উদ্ধাৰ ;
পালা তুমি পুণু স্বামী, জনক নন্দিনি !
স্বামী দেৱৰৰে স'তে আহিলা আকউ
(অগ্নি পৰিক্ষাত উঠি) অযোধ্যা পুৰত
কত আশা কৰি, (কিন্তু কান্দি উঠে প্রাণ !)
পুণু তযু বনবাস অদৃষ্ট-দোষত ॥
প্রজাৰঞ্জনৰ হেতু মিছা গ্লানীভয়ে,—
ছল কৰি স্বামী তযু কৰিলে বৰ্জ্জন
বাল্মিকীৰ তপোবনে,—পূর্ণ গর্ভা তুমি ;
পুণু হ'লা অনাথিনী বিধিৰ লিখন !!
মুনি পত্নী সবে স'তে থাকি কত কাল
প্রসবিলা দুটী পুত্র-লব আৰু কুশ ;

যাৰ মুখে শুনি পাছে ৰামায়ণ-কথা
আনিলে তোমাক পুনু ; (লাগে বৰ দুখ !)
অযোধ্যাত স্বামী তয়ূ অগ্নিৰ পৰীক্ষা
পাতিলে আকউ, দেবি ! লাহৰী দেহত
বাৰে বাৰে পাই দুখ, কান্দিব ধৰিলা
সুৱঁৰি বসুধা মাতৃ করুণ সুৰত ;—
"সহিব নোৱাৰোঁ আৰু, বসুন্ধৰা আই !
"কৃপা কৰি নিয়া মোক আপোন কাষত ;
"জন্মাবধি বহুদুখ, —ভুগিলো লাঞ্ছনা !
"কত যে সহিম আৰু !—নসহে প্ৰাণত !!"

তোমাৰ কান্দোন শুনি দেবী বসুমতী
সাবতি তোমাক নিলে আপোন কোলাত ;
বিপদত পালা ৰক্ষা ; সংসাৰৰ জ্বালা-,
তাৰ পৰা আঁতৰিলা মাতৃৰ মাযাত ॥

দৈবকী।

বসুদেৱ-প্ৰিয়া তুমি, ৰজাৰ জীয়াৰী,
দৈত্যকুল-ফুলনীৰ প্ৰফুল্ল গোলাপ ;
দুৰ্ভাগ্য বশত, কিন্তু ভ্ৰাতৃ আপোনাৰ
নিৰ্দ্দয় তোমাৰ, দেবি ! যেন কালসাপ ॥
দহমাহ দহদিন ধৰি জঠৰত
ওপোজাইছিলা তুমি সাতোটী সন্তান ;
এটী এটী কৰি কিন্তু সংহাৰিলে তযু
দুৰাচাৰ ভ্ৰাতৃ, দেবি ! নিষ্ঠুৰ নাদান !!
কোমল তিৰীৰ হিয়া, মাতৃৰ পৰাণ,
এটী সন্তানৰে শোক সহিব নোৱাৰে ;
সাতোটীৰ শোক কিন্তু সহিছিলা তুমি
বিৰলে তিয়াই বুকু চকুলো দুধাৰে ॥
বিধিৰ নিৰ্ব্বন্ধ, দেবি ! অষ্টম গৰ্ভত
তোমাৰ, জনম ল'লে বৈকুণ্ঠৰ পতি,
দানৱ-দলন হেতু বধিব' কংসক
দুৰাচাৰ ভ্ৰাতৃ তযু দাৰুণ দুৰ্ম্মতি ॥
ভাগ্যৱতী তুমি, দেবি ! পৃথিৱীত পৰি,
দেখালে তোমাক হৰি মূৰ্ত্তি বিশ্বম্ভৰ ;

সোৱামীয়ে স'তে দুয়ো দিব্য জ্ঞান পাই,
স্তুতিনতি শ্রীকৃষ্ণক কৰিলা বিস্তৰ॥
তাৰ পাছে, আহা, দেৱি! কৃষ্ণৰে আজ্ঞাত,
কৃষ্ণক স্বামীয়ে তযু ৰাখি গোকুলত,
যশোদাৰ ছোৱালীটী চুৰি কৰি আনি
হাবিয়াস কৰি দিলে তোমাৰ কোছত॥
বিধতা বিমুখ কিন্তু-যিটো আশা কৰি
আনিছিলা ছোৱালীটি দেৱী যশোদাৰ,
কাঢ়ি নিলে পাচদিনা হিয়া উদঙ্গাই
বধিবৰ মনে দুষ্ট ভ্রাতৃয়ে তোমাৰ!!
শিলত আচাৰ মাৰি মাৰিব খোজোঁতে
যোগমায়া ৰূপ ধৰি গ'ল ছোৱালীটী,
কিবা চমৎকাৰ ৰূপ, মুনি মনোহৰ,
অপূৰ্ব্ব বিভাৰে ভৰা, স্বৰ্গীয় জেউতি॥
আকাশ-পথৰ পৰা বুলিলে কংসক,
"দুৰাচাৰ! শিশু হত্যা কৰিলি বিস্তৰ!
কিন্তু যিটো হন্তা তোৰ, বধিব যি তোক,
সিটো আছে এতিয়াও ঘৰত নন্দৰ॥
দৈৱকী গৰ্ভত জন্মি, আছে গোকুলত
নৰৰূপে, পুত্ৰভাৱে যশোদাৰ ঠাই;

অশেষ চেষ্টাত তই নোৱাৰ খণ্ডাব
বিধিৰ নিৰ্ব্বন্ধ ! তোৰ আৰু ৰক্ষা নাই !!”

এই দৈববাণী শুনি আকাশ-পথত
খঙ্গৰাগে ওপোছালে আপন হিয়াক ;
কি এটা আশঙ্কা কৰি ভ্ৰাতৃয়ে তোমাৰ
স্বামীয়ে সইতে কৰে বন্দিনী তোমাক !!
দিন নিশা টুকি টুকি চকুলো দুধাৰি,
লোহৰ জিঞ্জিৰি পিন্ধি লাহৰি দেহত,
কৃষ্ণকেই ভাবি ভাবি, স্বামীয়ে সহিতে
নিয়ালা বহুত দিন বন্দিৰ শালত ॥

“ব্ৰজলীলা” শেষ কৰি, যোঁতিয়া মুৰাৰি
কৰিব’ “মথুৰালীলা” আহলে মথুৰা ;
কংসক বিনাশ কৰি, কৰিলে উদ্ধাৰ
তোমা-দুয়োটীকে, দেবি ! বিপদৰ পৰা ॥
পৰাণৰ পুত্ৰ, দেবি ! শ্ৰীকৃষ্ণক পাই
আকউ,—সকলো দুখ পাহৰিলা তুমি ;
বহুত দিনৰ পাই পাছত সোণক
টুকিছিলা [illegible] থোঁ চকুপানী !!

যশোদা।

অপুত্ৰকা, দেবি! তুমি আছিলা যেতিয়া
বন্ধ্যাবুলি নিন্দিছিলে সবে গোকুলত
কত পূজা, কত সেৱা, কত হোম কৰি
আৰাধিলা দেৱতাক পুত্ৰ হেপাহত ॥
পূৰ্ব্ব পূণ্য ফলে কিম্বা আৰাধনা বলে
পুত্ৰৰূপে পালা কৃষ্ণ অপোন কোলাত
তুমি জানিছিলা মাথোঁ, যি আনন্দ পালা
শ্ৰীকৃষ্ণক পুত্ৰ পাই, আতুৰ হিয়াত ॥
পৰ-পুত্ৰ কৃষ্ণ, কিন্তু নাজানিলা তুমি,
পূৰ্ণ অৱতাৰ হৰি তুমি চিনিলা,
আপোনাৰ পুত্ৰ ভাবি, কত যতনত
বাৎসল্য স্নেহত তুমি কৃষ্ণক তুলিলা ॥
অপুতৰ পুত্ৰ কৃষ্ণ, মনি সাপিনীৰ,
দীন দৰিদ্ৰৰ ধন, লাখুতি কনাৰ ;
কত আদৰেৰে তুমি পালিলা কৃষ্ণক
আলাশৰ লাড়ু, প্ৰাণ প্ৰাণৰো তোমাৰ ॥
শ্ৰীদাম সুদাম আৰু বলৰামে সতে
যেতিয়া তোমাৰ কৃষ্ণে গৰুলই যায়,

সন্ধ্যা হ'লে মনে ২ কত চিন্তা কৰি
একেথিৰে তধালাগি থাকা বাটচাই ॥
চকুৰ আঁতৰ হ'লে কানাই তোমাৰ
গোটাই সংসাৰ দেখা অন্ধকাৰময় ;
পুত্ৰৰ মঙ্গল হেতু কত পুজা দিয়া
ভক্তিভাবে স'তে, ৰাণি ! মণ্ডিৰত গই ॥
কত স্তুতিনতি কৰি কালী মণ্ডিৰত
ভক্তি ভাবে কোৱা, "আই ! কলুষনাশিনি !
কৃপা কৰি কৰা দুৰ কৃষ্ণৰ বিপদ
অৰণ্যত কৰা ৰক্ষা, মহিষ-মৰ্দ্দিনি ॥
কানাইৰ পৰা ননী ৰাখিব নোৱাৰি
লুকাই ঘৰত, যেৱে গোকুলৰ নাৰী
গালি পাৰে, শাও দিয়ে, যি আছে মুখত,
মাতৃৰ পৰাণ !—তুমি সহিব নোৱাৰি
বীনয় বচনে কোৱাঁ, ব্ৰজ গোপিনীক
"কানাই কি মোৰে ল'ৰা ? তোমাৰ নহয় ?
জনমালো ময়ে বুলি, কৃষ্ণ কি মোৰেই ?
কিয় দিলা শাও ? দয়া নোহে কৃষ্ণলই ?"
পুত্ৰৰ কাৰণে সহি, কোমল প্ৰাণত
ব্ৰজ গোপিনীৰ বহু গালি অপমান,

সামান্য মানৱ ভাবি কৃষ্ণক তোমাৰ,
কৰিছিলা বহু, দেবি ! নিষ্ঠুৰ বাখান ॥
বান্ধিছিলা শ্ৰীকৃষ্ণক, শাস্তি কৰিছিলা,
ভকত বৎসল হৰি, সহিলা প্ৰাণত,
মাতৃৰ মায়াত ভূলি, 'গোকুল লীলা'ৰ
ৰাখিব' অমূল্য কীৰ্ত্তি এই জগতত ॥

ধন্য ধন্য তুমি, দেবি ! বাখানো তোমাক,
সাধনা তোমাৰ ধন্য, বৈকুণ্ঠৰ পতি
তোমাৰ মায়াত ভূলি, গোকুল মাজত
সামান্য মানৱ-সম সহিছিলে শাস্তি ॥
তাৰ পাছে, আহা, দেবি ! অক্ৰূৰে যেতিয়া
মথুৰাত লই যায় কৃষ্ণক তোমাৰ
পুত্ৰৰ বিৰহ ভাবি,—বলিয়ানী হই
কান্দিছিলা, টুকি কত চকুলো দুধাৰ ॥
তোমাৰ কান্দোন দেখি, কান্দিছিলে সবে,
যমুনাৰ কুলকুল্ তধা লাগিছিল,
দিনতে এন্ধাৰ তুমি দেখিছিলা ৰাণী !
দুয়োটী চকুৰে পানী ধাৰে বইছিল ॥
নাজানো,-যশোদা দেবি ! সিচকুৰ পানী
গ'ল কি নগল মাৰ থাকোতে জীয়াই-,

হৃদয়ত শান্তি তুমি পালাকি নাপালা
জীয়ন্তত, পৰাণৰ কৃষ্ণ হেৰুৱাই ॥
পালা বা নাপালা শান্তি, গ'ল কি নগ'ল
চকুৰ চকুলো মাৰ,—চকুত তোমাৰ
অতি ভাগ্যৱতী তুমি,—সাধনাৰ বলে
পাইছিলা পুত্ৰৰূপে পতি কমলাৰ ॥
পঢ়িছোঁ কাব্যত বহু চিত্ৰ জননীৰ,
পুৰানত বহু চিত্ৰ মাক পুতেকৰ,
নাই পোৱা কিন্তু ক'তো কানে শুনানাই
তোমাৰ নিচিনা ছবি বাৎসল্য স্নেহৰ ॥

ৰোহিনী।

ৰামৰূপে অৱতাৰ ধৰোতে শ্ৰীহৰি
অযোধ্যাৰ কৌশল্যাৰ জনমি গৰ্ভত,
সুমিত্ৰা নন্দনে স'তে, লই বৈদেহীক,
পিতৃ আজ্ঞা মতে ভ্ৰমি ফুৰিলা বনত ॥

কত যত্নে কত দুখে সুমিত্ৰা নন্দনে
অৰণ্যত পিতৃ সম সেৱিলা ৰামক,
দয়াৰ সাগৰ ৰাম, তুষ্ট হই মনে,
সিকালত এই বৰ দিলা লক্ষ্মণক ॥
"জ্যেষ্ঠ ভ্ৰাতৃ সম তুমি পালিলা আমাক
কতযে যতন কৰি এই অৰণ্যত,
প্ৰতিদান তাৰ, ভাই ! কি দিম তোমাক ?
সুজিব নোৱাৰোঁ৷ ঋণ এই জনমত ॥
ইয়াৰ পাছত কিন্তু দ্বাপৰ যুগত
পৃথিবীত কৃষ্ণৰূপে হম অৱতাৰ ; ৩
সিকালত তুমি, ভাই ! জ্যেষ্ঠ হবা মোৰ
কৃষ্ণ নামে হ'ম মই কনিষ্ঠ তোমাৰ ॥
যেনেকই আজি তুমি সেৱিলা আমাক,
দ্বাপৰত তেনেকই তোমাক সেৱিম,
একেলগে দুয়োটীয়ে যমুনা তীৰত
ব্ৰজ গোপালৰে সতে ৰঙ্গে উমলিম ॥"
পূৰ্ব্ব জনমৰ পুণ্য আছিলে তোমাৰ
ত্ৰেতাৰ লক্ষ্মণে, দেৱ ! ল'লেহি জনম
তোমাৰ গৰ্ভত আহি বলৰাম ৰূপে ;
সাৰ্থক জনম তথু, সাৰ্থক জীৱন ॥

কৃষ্ণ অগতিৰ গতি, বিষ্ণু অৱতাৰ
তাৰে এক কলা তযু পুত্ৰ বলৰাম ;
অতি ভাগ্যৱতী তুমি, দেবী স্বৰূপিনী
তোমাৰ পাৱত কবি কৰিছে প্ৰণাম ॥
কিন্তু জানো, কি কাৰণে বুজিব নোৱাৰোঁ,
ভাৰতীয় কবি সবে পুৰণী কালৰ
নাাকলে তোমাৰ চিত্ৰ (কাহিণী নিৰ্ম্মল)
পূৰ্ণ ভাবে,—নেদেখালে ছবি মনোহৰ ॥
আভাস মাথোন আঁকি, আভা দেখুৱালে,
বিজুলী ৰেখাৰ দৰে খন্তেক দেখিলো,—
ৰাজিছিলে জানো, কত অপূৰ্ব্ব জেউতী
তোমাৰ চিত্ৰত, দেবি ! একো নুবুজিলো ॥

সুভদ্ৰা ।

যদুকুল কন্যা তুমি, বসুদেৱ সুতা,
লাঙ্গলি, কৃষ্ণৰ তুমি স্নেহৰ ভনিতী ;
বিষ্ণুতেজ বিৰাজিত দেহাত তোমাৰ,
পাৱত তোমাৰ কবি কৰিছে প্ৰণতি ॥

বেদব্যাস মুখে, দেবি ! (কাব ৰূপী মুখে)
অপূৰ্ব্ব আখ্যান তযু কৰিছে শ্ৰবণ।
দ্বাপৰ যুগত, সেই প্ৰভাস তীৰত
অৰ্জ্জুনৰ প্ৰাণ মন কৰিলা হৰণ ॥
মোহিনী ৰূপত মোহি অৰ্জ্জুনে যেতিয়া
তোমাক হাতত ধৰি তুলিলে ৰথত ;
কোৰোধত অন্ধ হই, যাদৱৰ সেনা
ধনুশৰ লই সবে আহিলা যুদ্ধত ॥
সিকালত তুমি, দেবি ! পাৰ্থৰ সাৰথী,—
বিজুলী সঞ্চাৰে ৰথ কত যে চলালা ;
বীৰাঙ্গনা ৰূপ ধৰি, যাদৱ সেনাৰে
অৰ্জ্জুনক তুমি সেই যুদ্ধ কৰোৱালা ॥
নহলা হেতেন যদি সাৰথী পাৰ্থৰ ;
নিদিলা তোমাৰ যদি সাহস পাৰ্থক,
নোৱাৰিলে হয় জানো লভিব তোমাক
সমৰত হৰুৱাই যাদৱ সবক ॥
বীৰঙ্গনা তুমি, দেবি ! বীৰৰ জননী
ভুবন বিখ্যাত তযু অভিমন্যু ধন,
ষোল বছৰতে যিটো ব্যূহ ভেদ কৰি
মহাৰথী সপ্তৰথী স'তে কৰি ৰণ,

তিয়াগিলে মর্ত্ত্যলোক, নশ্বৰ জীবন,—
ভাৰতত ৰাখি কীৰ্ত্তি, অমূল্য মৰ্ত্ত্যত ;
বীৰৰ জননী তুমি, নকৰিলা শোক,
সুটুকিলা চকুপানী পুত্ৰৰ শোকত ॥
পাণ্ডৱৰ ঘৰে ঘৰে-অভিমন্যু-শোকে
চকুপানী টুকি টুকি সবে কান্দি ছিলা ;
পুত্ৰৰ অতুল কীৰ্ত্তি শুনি সমৰত
তুমি কিন্তু বীৰ মাতা আনন্দ লভিলা ॥
অতি জ্ঞানৱতী তুমি, দিক্ষিতা ধৰ্ম্মত,—
ভাগৱত-ধৰ্ম্মতত্ত্ব তুমি বুজিছিলা,—
শত্ৰু মিত্ৰ, ভিনপৰ, নাছিল তোমাৰ
সকলোকে সমভাব তুমি কৰিছিলা ॥
ঘোৰ যুদ্ধ, কুৰুক্ষেত্ৰ, সেই সমৰত
অকালত যত যোদ্ধা পৰাণ ত্যজিলা,—
সকলোকে সমভাবে,—মাতৃৰ নিচিনা,—
অন্তিমত চেনেহৰে স্নুশ্ৰুষা কৰিলা ॥
জানিছিলা তুমি, দেবি ! বিপক্ষৰো প্ৰাণ
একে প্ৰাণ, পঞ্চভূতে সকলো গঠিত।
শত্ৰু মিত্ৰ, পৰ পুত্ৰ, সকলো সমান,—
ভিনপৰ, একো ভিন নাই পৃথিবীত ॥

কুৰুক্ষেত্র সমৰত-সাধিলা যি ব্রত,
আহতক সেৱা কৰি অন্তিম কালত,—
যি চিত্র দেখালা তুমি, পবিত্র নির্ম্মল,—
ৰাখিলা যে কীৰ্ত্তিস্তম্ভ, ভাৰত মাজত,
জানো,—দেবি! সেই কীৰ্ত্তি সেই ব্রতফলে
ৰাখিছে তোমাৰ সেই প্রতিমা উজ্জ্বল
শ্রীক্ষেত্রত আজিল'কে, কৃষ্ণ বলৰামে স'তে
উদ্ধাৰিছা মানৱক কৰি মুক্তি দান,
দেখাই মোহিনী মূৰ্ত্তি, পবিত্র নির্ম্মল॥

উত্তৰা।

কুৰুক্ষেত্র পুণ্যঠাই আজি যে শ্মশান প্রায়
জ্বলিছে চিতাৰ জুই উজ্জ্বলি গগন,
সাদৰে অভিক জানো দিব আলিঙ্গন॥
সপ্তৰথি স'তে ৰণ কৰি বীৰ অগনন
ষোল বছৰতে ৰাখি কীৰ্ত্তি অতুলন,
নৰ দেহা এৰি স্বৰ্গে কৰিলে গমন॥

বহু ক্লেশ শৰাৰত পাই বীৰ সমৰত
শেহত চিতাত স'পি দেহাটি নশ্বৰ
চিৰশান্তি সুখ আজি লভিছে স্বৰ্গৰ ॥
এনুৱা কালত, হায়! কোন উন্মাদিনী-প্ৰায় ?
কোন তুমি শ্মশানত মেলি চুলি-তুলি ?
কি লাগে তোমাক ? কিয় আউলি-বাউলী ?
তুমি কি বিৰাট কন্যা ? যাৰ জনমত ধন্যা
বিৰাট-ৰাজ-মহিষী সুদেষ্ণা-জীৱন ?
তুমি কি উত্তৰা ? দেবী সুভদ্ৰাৰ ধন ?
তুমি কি অভিৰ প্ৰাণ ? তুমি কি অভিৰ জ্ঞান !
তুমি কি অভিৰ সেই জীৱন-সঙ্গিনী ?
সৰলতা-সনা ছবি সতত ৰঙ্গিনী ?
তুমি কি সচা উত্তৰা ? নিতউ যি হাঁহি-ভৰা ?
শোক বিষাদৰ ছঁয়া গৈ চিনি না পায় ?
তুমি নে উত্তৰা যাৰ হৰিষ সদাই ?
তুমি নে উত্তৰা সেই ? কৰিছিলে শিক্ষা যেই
গীতবাদ্য অধ্যয়ন অৰ্জ্জুনৰ ঠাই
(বৃহন্নলা ৰূপে যবে আছিলে লুকাই) ?
যবে কুৰু-সেনা স'তে উত্তৰৰ যুদ্ধ ঘটে
বৃহন্নলা যায় ৰথে সাৰথী ৰূপেৰে,—

তুমি কি নোহোৱা তেঁও ? ক'লে যি সাদৰে ;—
"দৰা কনিয়া" ৰে স'তে খেলিম ছোৱালী হঁতে,
"আনি দিবা, বৃহন্নলা ! বিবিধ বসন
কৌৰৱ-সেনাৰ গাৰ, জয় কৰি ৰণ ॥"
নোহোৱা কি তুমি, সোণ ! ভোমোৰাৰ গুণ্ গুণ্
বাসন্তী কুলিৰ কুউ মলয়াৰ বা-ই
যাৰ চাকফালে কালি আছিলে শুৱায় ?
তুমি কি নোহোৱা, আই ! কালি বীণাখনি বাই,
কোকিলাৰ মধুময় স্বৰত মিলাই
গালা যি মধুৰ গীত পৰাণ ভৰাই ?
পিন্ধি যুদ্ধ-সাজপাৰ মণিমুক্তা অলঙ্কাৰ
আভিয়ে যেতিয়া আহি মাগলে বিদায়,
তুমি কি উত্তৰা সেই ? যি বুলিলে চাই ;—
মৃদু মিচিকিয়া হাঁহি (শুৱনা গোলাপ পাহি)
"প্ৰাণনাথ ! আজি মোৰ ল'ৰাটিৰ বিয়া,--
কাতৰে মাতিছোঁ, আজি যুদ্ধ এৰি দিয়াঁ ॥"
এই বুলি পাছে তুমি নাইনেকি দিয়াঁ আনি
হাঁহি হাঁহি পুতলিটি স্বামীৰ হাতত ?
কত ৰঙ্গে চুমা খাই লাহৰী গালত ?
খিল্ খিল্ কৰে হাঁহি তুলিলই পুতলিটি

অভিয়ে কি হাঁহি হাঁহি কোৱা নাই কিয়া
"নউপাওঁতেই ল'ৰা পোৱাঁতা কেতিয়া?"
অভিৰ কথাটি শুনি খঙমুৱাকই তুমি
তুমি নেকি ভালে পৰ ৰোঁহ পতা নাই?
নমতা-নোবোলা হই, মুখ ওফোন্দাই?
তাৰ পাছে অভিয়েকি নিৰুপায় যেন দেখি
"মানভঞ্জন"ৰ খেলা তাত খেলা নাই?
নাই হঁহা নেকি তুমি খিল্ খিল্,—আই?
তুমি কি উত্তৰা তেনে? কিয় দশা আজি এনে?
সেই হাঁহি, সেই বাণী ক'ত পাহৰিলা?
আদৰৰ "দৰাকন্যা" ক'তনো ৰাখিলা?
সুন্দৰ লাৱণ্য মুৰ্ত্তি পৰে কিয় ভূমি লুটি?
হাঁহিৰ নামেৰে লেশো কিয় মুখে নাই?
কিয় উন্মাদিনী আজি? কিয় কান্দা,—আই?
দেৱী সুভদ্ৰাৰ প্ৰাণ বিৰাট-কন্যাৰ ধ্যান
অৰ্জ্জুনৰ প্ৰিয় পুত্ৰ ভাগিনা কৃষ্ণৰ
গইছে স্বৰ্গত, ত্যজি দেহা মানৱৰ॥
সেই শোকতেকি তুম স্বামীৰ শোকত কান্দি
আউলী বাউলী হই, হলা হত-জ্ঞান
সহিব নোৱাৰি তুমি,—কোমল পৰাণ?

*　　*　　*　　*

*　　*　　*　　*

দপ্ দপ্ দপ্ কই জ্বলিলে চিতাৰ জুই,
অভিৰ দেহাটি লই কোলা খনি ভৰি,
কুৰুক্ষেত্ৰ শ্মশানৰ অন্ধকাৰ হৰি ॥
পাছে ধীৰে ধীৰে উঠি কৰি বহু স্তুতি-নতি
সাতবাৰ প্ৰদক্ষিণ কৰি অগণিক
বুলিলা, উত্তৰা !—"কৃপা কৰিবা দাসীক
স্বামী-সহবাস-সুখ নঘটিলে ভাগ্যে মোৰ,
ছমাহ মাথোন দেখা স্বামীৰ লগত,
মন-আশা, ভাল পোৱা থাকিলে মনত !!
কৃপা কৰি, দেৱ ! মোক অন্তিমত দিবা সুখ,
স্বামীৰ লগত যাওঁ নেদেখা ৰাজ্যত,
নঘটে বিচ্ছেদ য'ত স্বামীৰ লগত ॥"
কিন্তু এনে সময়ত দৈববাণী আকাশত
"ক্ষান্ত হোৱাঁ, সতি ! তুমি, শান্ত কৰাঁ প্ৰাণ ;
তোমাৰ গৰ্ভত আছে অভিৰ সন্তান ॥
আধা ফুলা ঢোপাকলি অকালে নানিবা তুলি
নকৰিবা শিশু বধ অগণি কুণ্ডত ;
ক্ষান্ত হোৱাঁ ;—যোৱাঁ, সতি ! উভটি ঘৰত ॥"

এই দৈববাণী শুনি, কিভাব মনতে গুণি
দীঘল দুখৰ এটি হুমুনীয়া কাঢ়ি,—
নিৰাশ প্ৰাণেৰে তুমি আহিলা, সুন্দৰি !

সাবিত্ৰী।

মদ্ৰ-ৰাজ-কন্যা তুমি সাবিত্ৰী সুন্দৰি !
ৰমণী কুলৰ ৰত্ন তুমি জগতত ;
বন-ফুল তুলি তুলি, সখী সবে স'তে
ফুৰিছিলা যবে তুমি অৰণ্য মাজত,
মুনি-পুত্ৰ-সবে স'তে ৰঙ্গে-খেলি-ফুৰা
দেখিলা চকুৰে এটি ৰজাৰ কুমাৰ
(অবন্তীৰ ৰাজ-পুত্ৰ নাম সত্যবান)
মোহিলে সিৰূপ দেখি অন্তৰ তোমাৰ ॥
মনে মনে কুমাৰক স্বোৱামী বৰিলা,
তেতিক্ষণে, দেবি ! তুমি আহিলা ঘৰত,—
হৃদয়ৰ বেগ কিন্তু ঢাকিব নোৱাৰি,
সকলোটি দিলা কই মাতৃৰ আগত ॥

পিতৃয়ে তোমাৰ কিন্তু হই অসম্মত,
তোমাক বুজালে কত,—কত বাধা দিলে,
কিন্তু, দেবি ! সতী তুমি, তুমি নামানিলা
অন্তৰৰ ভাব তযু আৰু নুঘুৰিলে ॥
দেবৰ্ষি নাৰদে আহি কতনো বুলিলে,
"অন্য এজনক বৰা স্বোৱামী, সুন্দৰি !
অল্পায়ু সি সত্যবান, হলে বছেৰেক,
কৃতান্তৰ দূতে তাৰ প্ৰাণ নিব হৰি ॥"
"যি বুলিলা, মুনিৰাজ !" বুলিলা, সুন্দৰি !—
"হব পাৰে, মুনি-বাক্য নহ'ব বিফল ;
মনে মনে কিন্তু স্বামী বৰিলো তেঁওক
থাপিলো হিয়াত সেই মূৰ্ত্তি নিৰমল ॥
তেঁওকেই স্বামী ভাবি পুজিছোঁ মনত,
তেওঁৰ পাৱত মন কৰিছোঁ অৰ্পণ
জীৱনে মৰণে মোৰ তেঁওৱেই স্বামী,—
কিৰূপে ভুলিম ? মোৰ তিক্তাৰ মন ॥
বৈধব্য যন্ত্ৰণা যদি আছে কপালত
কি কৰিব খণ্ডাম ? প্ৰভু, লাগিব ভুগিব ;
অনিত্য সংসাৰ এই, অনিত্য জীৱন,
জগতত সকলোটি এদিন মৰিব ॥

শৰীৰৰ লগে লগে জন্ম মৰণৰ,
আজি নোহে, কালি, কিম্বা এশ বছৰত !
অসাৰ সংসাৰ মাজে, ধৰ্ম্ম মাথো সাৰ,
ধৰ্ম্ম ভূলি, কিয় মন দিম অধৰ্ম্মত ॥
সুখৰ নকৰোঁ আশা, জীম কতকাল ?
নশ্বৰ মানৱ-দেহা,কৃতান্তে নাশিব
অন্য এজনক ভজি, অধৰ্ম্ম কৰিলে,—
জগতত চিৰকাল কলঙ্ক থাকিব ॥”
নোৱাৰি ঘুৰাব মন, সাবিত্রি ! তোমাৰ,
সত্যবানে স’তে বিয়া দিলে অশ্বপতি ;
স্বামীৰ লগত তুমি গ’লা তপোবনে,
আশা পূৰ্ণ হ’ল, তথু হ’লা হৃষ্টমতি ॥
দেখোঁতে দেখোঁতে হ’ল পূৰ্ণ এবছৰ,
চতুৰ্দ্দশী তিথী দিনা গধূলী সময় ;
ফল মূল হেতু গ’ল স্বোৱামী তোমাৰ
অৰণ্য মাজত, দেবি ! তোমাক নকই ॥
স্বামীৰ ভবিষ্য দশা (দেবৰ্ষিয়ে কোৱা)
বিয়াকুল হ’লা তুমি সুৱঁৰি মনত,
নুশুনি নামানি বাধা শাহু শহুৰৰ
স্বামীক বিচাৰি তুমি গ’লা অৰণ্যত ॥

স্বোৱামীক পাই, পাছে তোমা-দুয়োটীয়ে
অৰণ্যৰ ফলমূল লইছিলা তুলি,—
হৃদয়ৰ ভাব একো নকলা স্বামীক,
স্বামীৰ মনত কিবা শঙ্কা জন্মে বুলি ॥
কিন্তু কি মুছিব পাৰি কপালৰ লিখা ?
অন্তিম সময় আহি হ'ল উপস্থিত
স্বামীৰ তোমাৰ, দেবি ।—দেখোঁতে দেখোঁতে
শোক বেজাৰত তুমি হ'লা জৰ্জ্জৰিত ॥
কোলাত স্বামীৰ তুমি মৃত দেহালই
অকলে অকলে কান্দি আছিলা বনত,—
কৃতন্তৰ দূতে আহি আছিলা লুকাই,
চাপিব নোৱাৰি, তযু স্বতীত্ব তেজত ॥
তাৰ পাছে ধৰ্ম্মৰাজ, আপুনি আহিলা,
সাদৰি তোমাক, দেবি !—বুলিব ধৰিলে,—
"কালপূৰ্ণ হ'ল, সতি !—স্বামাৰ তোমাৰ,—
নিওঁ মই আত্মা তাৰ, তুমি আজ্ঞা দিলে ॥"
কৃতান্তৰ কথা শুনি ক'লা তুমি সতি !
বিধিৰ নিৰ্ব্বন্ধ, প্ৰভু ! খণ্ডন নহয়,
স্বোৱামীৰ কালপূৰ্ণ, লই যোৱাঁ তুমি,—
যেনে ইচ্ছা, কিবা সাধ্য বাধা দিওঁ মই ॥

অসাৰ সংসাৰ, প্ৰভু! মায়াৰ জালত
বান্ধ খাই মাথোঁ আমি 'মোৰ মোৰ' কওঁ।
কোন কাৰ স্বামী, হায়? কাৰ পুত্ৰ কোন?
সংসাৰত আমি কোনো কাৰোৱে নহওঁ॥"
এই বুলি, দেৱি! তুমি স্বোৱামীৰ দেহা
আপোন কোলাৰ পৰা ৰাখিলা নমাই;
আহিলে কৃতান্ত চাপি, বায়ুময় প্ৰাণ
স্বামীৰ দেহাৰ পৰা নিলে উলিয়াই॥
আগত কৃতান্ত যায়, লই স্বামী-প্ৰাণ,—
পাছে পাছে যোৱা তুমি ব্যাকুল মনত।
দেখি ধৰ্ম্মৰাজে, দেৱি! বুলিলে তোমাক,—
"কিয় আহাঁ? যোৱাঁ, সতি! উলটি ঘৰত॥"
বীনয় বচনে তুমি বুলিব ধৰিলা,—
"জগতৰ প্ৰাণী ঘূৰে মায়াৰ পাকত।
অসাৰ সংসাৰ মোৰ! কি সতেৰে যাওঁ
আকউ উলটি, প্ৰভু! মায়াৰ কাষত॥
স্বোৱামীৰ আয়ু শেষ, লই যোৱাঁ তুমি,
সি বুলি নকৰোঁ মই মনত বেজাৰ;
জন্মিলে মৰিব লাগে, জানে সকলোৱে,—
কপালত মৃত্যু লেখা আছে বিধতাৰ॥

কিন্তু মায়া মোহে ভৰা সংসাৰৰ ছবি
চকুত নালাগে ভাল আৰু সাবিত্ৰীৰ
সিকাৰণে, প্ৰভু ! সেই সংসাৰৰ ফালে
নোখোজে উলটি চাব মনে দুৰ্ভাগীৰ ॥"
পৰিতুষ্ট হই, দেবি ! ক'লে কৃতান্তই
তোমাৰ মুখত শুনি এনুৱা বচন,—
"ধন্য ধন্য তুমি, সতি ! জননী তোমাৰ,
জন্মালে যি তোমাহেন ৰমণী-ৰতন ॥
সৰ্ব্ব গুণৱতী তুমি, সতি ! পতিব্ৰতা,
বিৰাজে পবিত্ৰ জ্ঞান তযু অন্তৰত ;—
স্বোৱামীত বাজে, তুমি মাগি লোৱাঁ বৰ,
যেনে ইচ্ছা হয়, সতি ! মোৰ ওচৰত ॥"
কৰযোড় কৰি তুমি বুলিব ধৰিলা ;—
"দয়া যদি উপজিছে তোমাৰ মনত,
ৰাজ্যভ্ৰষ্ট ৰাজা, (প্ৰভু ! শহুৰ দাসীৰ)-
ৰাজ্যলাভ হয় যেন তোমাৰ বৰত ॥"
"তথাস্তু" বুলিলা দেৱ সন্তোষ মনত,—
কৰযুড়ি ক'লা পুনু (কৃতান্ত ঘূৰিলে)
"আজন্ম আহিছোঁ। শুনি পণ্ডিতৰ মুখে,
কৰ্ম্ম-বন্ধ পায় নাশ তোমাক দেখিলে ॥

দেখি, প্ৰভু ! তযু পদ কৰ্ম্মবন্ধ মোৰ
কিয়নো নাপালে নাশ ? বিধতা বিমুখ,—
জানিলো, দাসীৰ প্ৰতি ঃ—সংসাৰ-মাজত
অতি দুৰ্ভাগিণা মই, নাই মোৰ সুখ ॥”
আকউ কৃতান্তে ধীৰে বুলিলে তোমাক,—
“আক বৰ লোৱঁা, সতি ! যি বাঞ্ছা মনত ;
স্বামীৰ প্ৰাণত বাজে ঃ—পতিব্ৰতা সতী
ভাৰত ৰমণী ৰত্ন তুমি জগতত ॥”
বীনয় বচনে তুমি বুলিলা আকউ,
“যদি বৰ দিবা, প্ৰভু ! হই তুষ্ট মন,—
মহাৰাজা দ্যুমৎসেন দাসীৰ শহুৰ,
চিৰ অন্ধ, লাভ যেন হয় দুনয়ন ॥
“তথাস্তু” বুলিলা দেৱ ; পুনু ক’লা তুমি
“সংসাৰ সুখৰ বাঞ্ছা নকৰোঁ মনত,—
মিছা পতি, মিছা পুত্ৰ, মিছা প্ৰিয়জন
অনিত্য সংসাৰ, প্ৰভু, অনিত্য জগত ॥
ধৰ্ম্মে যেন থাকে মতি জীৱনে মৰণে,
অধৰ্ম্ম পথত যেন নকৰোঁ ভ্ৰমণ
ইয়াকে প্ৰাৰ্থনা কৰোঁ, দিয়া আশিৰ্ব্বাদ ;
মাতিছোঁ কাতৰে, প্ৰভু ! ধৰি শ্ৰীচৰণ ॥”

এনুৱা বচন শুনি,—ধৰ্ম্ম কথা,—দেবি !
কৃতান্তে তোমাক পুনু বুলিব ধৰিলা—
“বাখানো তোমাক, সতি ! এই বয়সত
ধৰ্ম্মৰ পবিত্ৰ তত্ত্ব কিৰূপে বুজিলা ?
ধন্য ধন্য, সতি ! তুমি, ধন্য মাতৃ তযু
পবিত্ৰ গৰ্ভত যাৰ জনমিলা তুমি ;
ধন্য তযু ধৰ্ম্ম ভাব, ধন্য তযু জ্ঞান
ৰমণী কুলৰ তুমি গৌৰৱৰ ভূমি ॥
অতি তুষ্ট হ’লো মই, আৰু লোৰাঁৱৰ
স্বামীৰ প্ৰাণত বাজে, যেনে ইচ্ছা হয়।” ৬
কাতৰে বুলিলা তুমি, “যদি কৃপা কৰি
দিবা, প্ৰভু ! বৰ মোক, তুমি কৃপাময়,—
পিতা মোৰ অপুত্ৰক. তোমাৰ ৰৰত
হয় যেন পুত্ৰলাভ।” “তথাস্তু” বুলিলা
সন্তোষ মনেৰে ৰবি পুত্ৰ ধৰ্ম্মৰাজ,—
পুনু তুমি ধীৰে ২ বুলিব’ ধৰিলা ঃ—
“অসাৰ সংসাৰ, প্ৰভু ! মায়া-মোহে ভৰা
জগতৰ নৰনাৰী মায়াৰ মোহত
মুগ্ধ হই, সংসাৰক চিনিব নোৱাৰি,
কত ক্লেশ, কত দুখ পায় জীৱনত ॥

সেয়েতো সংসাৰ, প্ৰভু ? মায়াৰ বন্ধন ?
অন্তৰে নোখোজে যাব উলটি ঘৰত ;
তথু পাদপদ্ম দেৱ ! চিৰ শান্তি-দাতা,—
খন্তেক থাকিব দিয়াঁ ধৰিছোঁ পাৱত ॥”
“চৰিত্ৰ তোমাৰ, দেখি” কলে ধৰ্ম্মৰাজ,—
“অতি তুষ্ট হ’লো, সতি ! দিলো আশিৰ্ব্বাদ
সুযশ তোমাৰ খ্যাত হ’ব জগতত,
অক্ষয় তোমাৰ কীৰ্ত্তি, পবিত্ৰ প্ৰবাদ ॥
আৰু বৰ লোৱা, সতি ! স্বোৱামীত বাজে
যি বাঞ্ছা তোমাৰ।” তুমি ক’লা কৰযুড়ি,
“শতপুত্ৰ হোক মোৰ তোমাৰ বৰত।”
“তথাস্তু” বুলিলা, দেবি : কৃতান্তে সাদৰি
কৃতান্তে দি চাৰি বৰ তোমাক সুন্দৰি !
তোমাৰ স্বামীক লই আগে আগে যায়,
যোৱা তুমি পাছে ২ নীৰৱে নীৰলে,
কি ভাব মনত ভাবি, স্বামীলই চাই ॥
“কিয় আহাঁ পাছে ২ ?” কলে কৃতান্তই,
ঘৰলই যোৱাঁ তুমি আকউ উলটি ;
অতদূৰ কিয় তুমি আহিলা মিছাতে ?
নোপোৱা স্বামীক আৰু মৰতত, সতি !

PLEASE HANDLE THE BOOK CAREFULLY

কৃতান্তৰ পদযুগ ধৰি দুই হাতে,
বীনয় বচনে তুমি ধৰিলা বুলিব'—
"অখণ্ড তোমাৰ বাক্য, তোমাৰ বৰত
শত পুত্ৰ সাবিত্ৰীৰ নিশ্চয় জন্মিব ॥
কিন্তু যদি আজি তুমি নিয়া স্বোৱামীক,—
কিৰূপে তোমাৰ, প্ৰভু! বাক্য পূৰ্ণ হ'ব?
অখণ্ড তোমাৰ বাক্য, যদি বৃথা হয়,
মৰ্ত্ত্যত তোমাৰ নৰে দুৰনাম ক'ব ॥"
তোমাৰ মুখত শুনি এনুৱা বচন,—
নিতান্ত লজ্জিত হই ক'লে মৃত্যুপতি,—
"ত্ৰিভুবন মাজে তুমি নাৰী অদ্বিতীয়া,
ধন্যবাদোঁ, তুমি সতী পতিব্ৰতা, সতি!
লই যোৱাঁ স্বামী তুমি আকউ ঘূৰাই,"
এই বুলি মৃত্যুপতি তোমাৰ হাতত
দিলে স্বোৱামীক তযু, আহিলা উলটি
আপোন ঘৰত, দেবি! উলাহ মনত ॥
ধন্য ধন্য তুমি, দেবি! সুযশ তোমাৰ
অনন্ত অক্ষয় এই মৰ জগতত;
সতী অগ্ৰগণ্যা তুমি, মৃতপতি তযু
পালে ওলোটাই প্ৰাণ তোমাৰ বলত ॥

তোমাৰ বলত, তযু সতীত্ব তেজত,—
পিতৃকুল, পতিকুল দুয়ো উদ্ধাৰিলা ;
অপুত্ৰক পিতা তযু পালে পুত্ৰদান,
অন্ধৰজা চকু আৰু সাম্ৰাজ্য লভিলা ॥
অসম্ভব কাণ্ড, দেবি ! মৰ জগতত
সতীত্বৰ বলে তুমি কৰিলা সাধন ;
জগতত নৰে গায় তোমাৰ সুযশ
পুন্যৱতী তুমি, তযু সাৰ্থক জীৱন ॥

অহল্যা ।

ব্ৰহ্মাৰ মানস-কন্যা অহল্যা সুন্দৰি !
গৌতম মুনিৰ তুমি প্ৰেয়সী প্ৰাণৰ ;
তুমি সতী পতিব্ৰতা, কিন্তু কৰ্ম্মফলে,—
ৰূপত তোমাৰ মোহি দেৱ পুৰন্দৰ
গৌতমৰ ৰূপ ধৰি হৰিলে তোমাক,—
সতীত্ব তোমাৰ নাশ কৰিলে সুন্দৰি !—
স্বামীয়ে তোমাৰ পাছে, তপোবলে জানি
শাপিলে তোমাক ক্ৰোধে অবিচাৰ কৰি ॥

"যৌবন গৰ্ব্বত তই ধৰ্ম্মপথ ভূলি
সতীত্ব ধৰম তোৰ নাশিলি আপুনি
সি পাপৰ ফলে, থাক শিলাৰূপ ধৰি
এই তপোবন মাজে,—অহল্যা পাপিনি !
আৰু যি সতীত্ব তোৰ কৰিলে হৰণ
ঐশ্বৰ্য্য গৰ্ব্বত মাতি,—এৰি ধৰ্ম্মভয়
গৰ্ব্ব খৰ্ব্ব হব তাৰ,—সমৰ ক্ষেত্ৰত
বিপক্ষৰ হাতে ধৰা পৰিব নিশ্চয় ॥"
কান্দি কান্দি কলা তুমি স্বামী পদধৰি,
"জানি শুনি এই পাপ মই কৰা নাই
ক্ষমা কৰঁা প্ৰভু ! মোক,-ধৰি তৱৰূপ
সতীত্ব হৰিলে ইন্দ্ৰ ছলেৰে ভূলাই ॥"
এই বুলি বহু কান্দি বুলিলা স্বামীক
তোমাৰ স্তৱত, পাছে, তুষ্ট হই মুনি
বুলিলে,—"আমাৰ বাক্য নহব লঙ্ঘন
অদ্যাৱধি হবা তুমি 'অহল্যা পাষাণী'
ৰাম অৱতাৰে, কিন্তু, বিশ্বামিত্ৰ স'তে
পতিত পাৱন ৰাম আহিব ইয়াত,—
শাপমুক্ত হই তুমি, পাবা নিজৰূপ
সিকালত; ৰাম-পদ পৰশি হিয়াত ॥"

সি দিনা অৱধি তুমি, অহল্যা সুন্দৰি !—
শিলাৰূপে তপোবনে হৰিক ধিয়ালা
পাছে, ৰাম-পদ চুমি, ভকতি মনেৰে
শাপ বিমোচন হই নিজ মুৰ্ত্তিপালা ॥

দ্ৰৌপদী ।

দ্ৰোপদ-জীয়াৰী তুমি, জনম তোমাৰ
যজ্ঞৰ কুণ্ডত, কৃষ্ণ প্ৰিয় সখা তযু,
স্বামী পঞ্চ পাণ্ডুপুত্ৰ, ভূবন বিখ্যাত
খ্যাতী যাৰ, য্যাৰ কীৰ্ত্তি মৰ্ত্তত অতুল ॥
লক্ষ্মীস্বৰূপিনী তুমি,—দেৱ অৱতাৰ
পঞ্চস্বামী তযু দেবি ! ধৰ্ম্মপুত্ৰ ৰজা
ধৰ্ম্মবীৰ যুধিষ্ঠিৰ, পবন কুমাৰ
ভীমমুৰ্ত্তি বৃকোদৰ, পুত্ৰ ব্যাসৱৰ
ধনঞ্জয় মৰতৰ নৰ নাৰায়ণ,
শ্ৰীকৃষ্ণৰ প্ৰিয়সখা, বীৰ মহাতেজী,
কীৰ্ত্তি যাৰ ভাৰতৰ দিগ দিগন্তৰ ॥

অশ্বিনী কুমাৰ দুটী মাদ্ৰীৰ নন্দন
দেৱ অনুপম ৰূপ, অতুল মৰ্ত্ত্যত ॥
দেবী স্বৰূপিনী দেবী প্ৰাতঃ স্মৰণীয়া
কুন্তীৰ স্নেহৰ তুমি একেটী বোৱাৰী ;
ভাগ্যৰ দোষত কিন্তু,—কান্দি উঠে হিয়া,—
জীৱনত পালা তুমি বহু অপমান ॥
বৰ দুখ লাগে, দেবি !—যি দিনা শকুনি
কৌৰবৰ মন্ত্ৰণাত, কপট পাশাত,
হেৰুৱাই পাণ্ডৱক জিতিলে তোমাক,
সি দিনা তোমাৰ, আহা ! কত যে লাঞ্ছনা ॥
ৰাজস্বলা তুমি, দেবি ! কুলৰ বোৱাৰী
কত স্তুতি নতি কৰি, কত কান্দি ক'লা,—
নামানিলে কিন্তু বাধা দুষ্ট দুঃশাশনে
তোমাক চুলিত ধৰি টানে সভা-মাজে ॥
কি লজ্জাৰ কথা, দেবি ! নিৰ্লজ্জ কৌৰৱ !
পামৰ সি দুশাশন লজ্জা নাই তাৰ !—
কুলৰ বোৱাৰী তুমি, তাতে ৰাজস্বলা,
বিবস্ত্ৰা কৰিব খোজে গুৰুজন আগে !!
নিৰুপায় হই তুমি বুলিলা বীনাই
ভীষ্ম, দ্ৰোণ কৃপ আদি গুৰু সকলক,—

তোমাৰ কান্দোন কিন্তু শুনি নুশুনিলে
নীৰৱ নিৰ্ব্বাক হই থাকিলে সকলো ॥
করুন সুৰেৰে পাছে শ্ৰীকৃষ্ণক স্মৰি,
উদ্দেশে প্ৰণাম কৰি, বীণাব ধৰিলা
বীণা বিনিন্দিত সুৰে, শুনি সেই ধ্বনী
ভক্তৰ অধীন হৰি উঠিলে চমকি ॥
পুষ্পক ৰথত উঠি, আকাশৰ পৰা
বিবিধ বসনে, দেবি ! আবৰি তোমাক,
কৰিলে তোমাৰ লজ্জা ৰক্ষা নাৰায়ণ,
অগতিৰ গতি হৰি,—ভক্তৰ অধীন ॥
তাৰ পাছে, আহা ! দেবি ! বৰ দুখ লাগে,
তপস্বিনী বেশে তুমি স্বামী সবে সতে
ভ্ৰমিলা বনত দুখে দ্বাদশ বৎসৰ,—
স্বামী-পদ সেবা কৰি অৰণ্য-মাজত ॥
বিৰাটৰ ঘৰে, দেবি ! সৈৰিন্দ্ৰীৰ বেশে,
দাসী ভাবে পঠিয়ালা অজ্ঞাত বৎসৰ
ৰাজ-পটেশ্বৰী তুমি, কিন্তু কৰ্ম্ম-দোষে
দাসী বৃত্তি লিখা তযু আছিলে ভাগ্যত ॥
(তাৰ পাছে)
কুৰুক্ষেত্ৰ মহাযুদ্ধ, সেই নাটকৰ
দ্ৰৌপজীয়াৰি ! তুমি প্ৰধান নায়িকা।

সতী পতিব্ৰতা তুমি, তোমাৰ শাপত (?)
(নতু, যিবা অপমান, যাতনা প্ৰাণত
দিছিলে তোমাক, দেবি ! পাপীষ্ঠ কৌৰৱে
সিপাপৰ ফলে) ধ্বংশ বংশ কৌৰৱৰ ঃ—
বীৰশূন্যা বসুন্ধৰা কুৰু সমৰত ॥
যোগীন্দ্ৰ মুনীন্দ্ৰ ইন্দ্ৰ পাদপদ্ম যাৰ
দিনৰাতি কৰে ধ্যান, দৰশন আশে,
তেনুৱা কৃষ্ণক তুমি ভক্তিৰ দোলেৰে
ৰাখিছিলা বান্ধি, দেবি !—সামান্য মানবী ৩
নোহোৱা, সুন্দৰি ! তুমি লক্ষ্মী স্বৰূপিণী ॥
সামান্য মানব আমি অতি জ্ঞানহীন
কি সাধ্য আমাৰ, দেবি ! বৰ্ণিব তোমাৰ
অমৰ অতুল কীৰ্ত্তি ? কি কৰি চিনিম
তুমি যে কি ৰত্ন, দেবি ? চিনিছিলে মাথোঁ।
মুনি ঋষি সবে সেই প্ৰাচীণ কালৰ—
যাৰ আজ্ঞা অনুসৰি, আজি ভাৰতত
“পাঁচোটীৰ এটী” (১) বুলি সুমৰে তোমাক ॥

(১) পঞ্চ কন্যাৰ এক কন্যা।

কুন্তী।

ভোজৰাজ কন্যা, কুন্তি ! ছোৱালী কালত
অতিথী সৎকাৰ ব্ৰত আচৰিলা তুমি,—
সি মহাব্ৰতত, দেবি ! পৰিতুষ্ট হই,
দিছিলে তোমাক মন্ত্ৰ দুৰ্ব্বাশা তপসী ॥

সি মন্ত্ৰৰ বলে (কিন্তু অকুমাৰী তুমি !)
আদিত্যক কৰিছিলা মনত আহ্বান,
অখণ্ড মুনিৰ বাক্য, খণ্ডন নহয়,
উপনিত হ'লা দেৱ কাষত তোমাৰ ॥

অপূৰ্ণ যৌবনা তুমি, কন্যা অকুমাৰী
আদিত্যক দেখি ভয়ে কঁপিব ধৰিলা ঃ—
"ক্ষমা কৰঁা দোষ মোৰ, ধৰিছোঁ পাৱত,
না জানি কৰিলো, দেৱ ! আহ্বান তোমাক।"
এই বুলি বহু স্তুতি কৰিলা সূৰ্য্যক,—
ধীৰেৰে বুলিলা দেৱ,—"নহ'ব খণ্ডন
দুৰ্ব্বাশাৰ বাক্য, কুন্তি ! জন্মিব নিশ্চয়
তোমাৰ গৰ্ভত এটী সন্তান আমাৰ ॥"
অকুমাৰী কালে, দেবি ! সূৰ্য্যৰ সম্ভোগে

পূৰ্ণ গৰ্ভৱতী হই, প্ৰসবিলা এটী
সৰ্ব্ব সুলক্ষণ পুত্ৰ, কিন্তু কলঙ্কৰ
দাৰুণ আশঙ্কা কৰি, যমুনা পানীত
উটুৱাই দিলা তুমি গোপনে ল'ৰাটী ॥
তুলিলে ৰাধাই পাই অপুত্ৰকা বুঢ়ী
অতীব যতন কৰি, পাছে ভাৰতত
কৰ্ণবীৰ বুলি যিটো ভুবন বিখ্যাত!
কুৰুপাণ্ডৱৰ যুদ্ধে, কুৰুপক্ষ হই
অকালে পাৰ্থৰ হাতে, ত্যজিলা জীৱন ॥
তাৰ পাছে, আহা! দেৱি! (পৰিছে মনত)
স্বামীৰ ঘৰত আহি, অপুত্ৰকা হই
আছিলা অনেক কাল; পুত্ৰ আশা কৰি
কৰিছিলা কত তুমি পূজা দেৱতাক ॥
স্বামী, সপত্নীয়ে স'তে তপোবনে বনে
ফুৰিছিলা তুমি, দেৱি! যৌবনে যোগিনী;
ভক্তি ভাবে পূজিছিলা ঋষি মুনি স'বে,
লইছিলা আশীৰ্ব্বাদ পুত্ৰৰ কাৰণে ॥
কৰ্ম্ম বন্ধ দোষে, কিম্বা অভিশাপ ফলে
স্বামীৰ ঔৰসে পুত্ৰ নহ'লে তোমাৰ;
বংশ ৰক্ষা হেতু পাছে স্বামী আজ্ঞা মতে,

মন্ত্ৰবলে আনিছিলা কৰি আবাহন
কৃতান্ত মাৰুতি আৰু ইন্দ্ৰ দেৱৰাজ ॥
দেৱ সম্ভোগত পাছে গৰ্ভৱতী হই
জনমালা তিনি পুত্ৰ ভূবন বিখ্যাত
যুধিষ্ঠিৰ, ভিমাৰ্জ্জুন, দেৱ অনুপম ॥
সপত্নী তোমাৰ মাদ্ৰী, কিন্তু, দেবি ! তুমি
প্ৰাণৰ ভনিতী ভাবি, অকপট মনে
মন্ত্ৰ এটী দিলা দান, সি মন্ত্ৰৰ বলে
অশ্বিনী কুমাৰ দুটী লভিলা জনম ॥
দেৱ অংশে ভাৰতত পাঁচোটী পাণ্ডব,
কীৰ্ত্তি যাৰ চিৰজীৱী, অক্ষয় মৰ্ত্ত্যত ॥
লক্ষ্মী স্বৰূপিণী কৃষ্ণা, সুভদ্ৰা তোমাৰ
স্নেহৰ বোৱাৰী দুটী সৰ্ব্ব সুলক্ষণা,
মহাবীৰ অভিমন্যু নাতিনী ;—উত্তৰা
বিৰাটৰ কন্যা, দেবি ! নাতিনী বোৱাৰী ॥
কিন্তু কৰ্ম্ম দোষে তুমি গোটেই জীৱন
কান্দিছিলা সংসাৰৰ ভীষণ ক্ষেত্ৰত
দেখি বিষময় ফল কুৰু সমৰত
যি টুকিলা চকুপানী কৰি সমৰ্পণ
অভিমন্যু মহাৰত্ন কালৰ হাতত

অকালত, সেই পানী (চকুলো দুধাৰি)
হইছিলে শেষ মাথোঁ, গুচিছিলে ৰ'ব
অন্তিমৰ দিনা, দেবি ! তোমাৰ চকুত ॥
সেই যেই হ'ক, দেবি ! প্ৰণমো তোমাক
ভাগ্যৱতী তুমি অতি, দেবী স্বৰূপিণী ॥
তুমিয়েতো সেই দেবী, পুত্ৰ সবে যাৰ
ভূভাৰ সংহাৰ কৰি কুৰুক্ষেত্ৰ ৰণে
ৰাখিলে অক্ষয় কীৰ্ত্তি অতুল মৰ্ত্ত্যত।
যাৰ কীৰ্ত্তি মালা গাঁথি কাব্যৰূপী সূতে
বেদব্যাসে মহাকাব্য শ্ৰীমহাভাৰত
বিৰচিলা,—ভাৰতৰ অমৃত পুখুৰী ॥

তাৰা।

ৰাম ৰঘুবৰে স'তে মিত্র ভাব কৰি
সুগ্ৰীবে যেতিয়া, সতি ! কিষ্কিন্ধ্যাত গই
যুদ্ধ হেতু আহ্বানিলা স্বামীক তোমাৰ
নতুন তেজেৰে পুনু বলীয়ান হই ॥
সিকালত তুমি, সতি ! বুলিলা বালীক
(প্ৰাণৰ স্বামীক তযু) "উঠি ৰাতি পুঁৱা
গধুলীৰ বাহিফুল যি দৰে পেলায়,—
সি দৰে তিয়াগী ক্ৰোধ, তুমি শান্ত হোঁৱা ॥
শুনা, নাথ ! কথা মোৰ, ক্ষান্ত দিয়াঁ আজি,—
সুগ্ৰীবে সইতে যুদ্ধ না লাগে কৰিব ঃ—
সুগ্ৰীব তোমাৰ ভাই, তুমি জৈষ্ঠ তাৰ,—
ভ্ৰাতৃ বিৰোধত মাথোঁ শত্ৰুৱে হাঁহিব ॥
কি কাজ সমৰ কৰি ভ্ৰাতৃয়ে সইতে ?
কিবা লাভ আছে, নাথ ! ভ্ৰাতৃ বিৰোধত ?
সুগ্ৰীবক যুবৰাজ কৰি অভিষেক
কমাক * পঠাই দিয়া স্বামীৰ কাষত ॥

* উমা বুলি প্ৰখ্যাত। ক'লাকৃত্তীবাসী ৰামায়ণতো উমা বুলি লিখিছে।

না জানো, কি হেতু নাথ! তাৰাৰ অন্তৰ
অকস্মাতে কঁপি আজি উঠে আশঙ্কাত
সিবুলি, বীনয় কৰি বুলিছো তোমাক,—
কাজ নাই আজি, নাথ! সমৰ সজ্জাত ॥
আৰু নাথ! চোৱাঁ ভাবি; কালি সন্ধ্যা বেলা
তিষ্ঠিব নোৱাৰি তব বীৰত্ব-তেজত
প্ৰাণ লই গইছিলে সুগ্ৰীব পলাই;—
আজি পুনু মাগে ৰণ তোমাৰ কাষত ॥
আশঙ্কা মনত এয়ে—পাইছে সহায়
কোনো দেৱ, দানৱৰ সুগ্ৰীবে তোমাৰ।
সি কাৰণে কওঁ, নাথ! না যাবা যুদ্ধত,
তোমাৰ পাৱত এয়ে মিনতি তাৰাৰ ॥
আৰু, নাথ! চোৱাঁ ভাবি, সুগ্ৰীব তোমাৰ
নোহে পৰ, আপোনাৰ সহোদৰ ভাই;
যত বন্ধু, প্ৰিয়জন আছে সংসাৰত
ভ্ৰাতৃৰ সমান বন্ধু জগতত নাই ॥
সুগ্ৰীবে সইতে কৰি পুনু ভ্ৰাতৃ ভাব,
যদি তোমাদুয়ো থাকা মিলেৰে সদাই,
তাতকই আৰু সুখ কিবা জগতত
আছে নাথ? চোৱাঁ তুমি মনকে বুজাই ॥”

এই দৰে তুমি, সতি ! কতনো বুলিলা,
কিন্তু নামানিলে বাধা স্বামীয়ে তোমাৰ,—
সুগ্ৰীবে সইতে পুনু কৰি ঘোৰ ৰণ,
শ্ৰীৰামৰ শৰে পাছে, ত্যজিলা সংসাৰ ॥
তাৰ পাছে গই তুমি, স্বামীৰ শোকত
আউলি-বাউলী হই, বুলিলা ৰামক,
"শুনিছে তাৰাই, প্ৰভু ! পূৰ্ণ ব্ৰহ্ম তুমি,
পূৰ্ণ অৱতাৰ হৰি পাতকী-তাৰক ॥
সত্যনিষ্ঠ, ন্যায়বান, কিন্তু কি কাৰণে
নাশিলা স্বামীক মোৰ কপট যুদ্ধত ?
তুমি যদি কৰা এনে নিন্দনীয় কাম,
তেন্তে প্ৰভু ! ক'ত আৰু ধৰ্ম্ম জগতত ?
ধৰ্ম্ম অধৰ্ম্মৰ, প্ৰভু ! তুমি আদি মুল,
আমি নাৰী, তিৰীমতি কিৰূপে বুজিম ?
অবলা তিৰুতা আমি, স্বামীৰ বিহনে
অসহায়, কি ৰূপেৰে জীৱন ধৰিম ?
যি শৰেৰে, প্ৰভু ! তুমি নাশিলা স্বামীক,—
সেই শৰে কৰা বধ তাৰাৰ জীৱন ;
স্বামীৰ আশ্ৰিতা আমি, তৰুৰ বিহনে
লতাৰ নিচিনা, হ'ব তাৰাৰো পতন ॥

তাৰা।

ইয়াকে মাথোন খাটো তোমাৰ পাৰত,—
পিতৃ মাতৃ হীন পুত্ৰ অঙ্গদ আমাৰ,
শোকত অধীৰ হৈ কৰিলে ক্ৰন্দন,
শোসনা কৰিবা প্ৰভু ! করুণা আধাৰ !"
এই বুলি তুমি, সতি ! ৰামৰ পাৰত
কান্দিলা বহুত পৰি :—পৰ দুখে দুখী
কোমল হৃদয় ৰাম, তোমাৰ শোকত
কান্দিলা দুখেৰে বহু, চকুপাণী টুকি ॥
তাৰ পাছে, আহা ! সতি ! যেতিয়া তোমাৰ
স্বোৱামীৰ মৃত দেহা নিলে শ্মশানত,
বিলাপি তুমিও গলা বিসৰ্জ্জি প্ৰাণ
প্ৰাণৰ স্বামীৰে সতে অগ্নি কুণ্ডত ॥
কমল লোচন ৰাম বুলিলে তোমাক,
"ক্ষান্ত হোৱা তুমি, সতি ! যোৱা ঘৰলৈ ;
পতিব্ৰতা, সাধ্বী তুমি, আমাৰ বৰত
সংসাৰত আৰু শোক তোমাৰ নহয় ॥
মানৱ সমাজে গাব সুযশ তোমাৰ,—
পবিত্ৰ তোমাৰ নাম ঘোষিব জগতে ;
'প্ৰাতঃ স্মৰণীয়া' তুমি ৰমণী কুলৰ,—
"অনন্ত অক্ষয় যশ তোমাৰ ভাৰতে ॥"

মন্দোদৰী।

গন্ধৰ্ব্ব জীয়াৰী তুমি, দশানন প্ৰিয়া,
পুত্ৰ তয়ু ইন্দ্ৰজিত দেৱৰাজ অৰি,
চেনেহৰ পুত্ৰ-বধূ দেখা অনুপমা
ময় দানৱৰ কন্যা প্ৰমিলা সুন্দৰী ॥
ৰাক্ষস কুলৰ লক্ষ্মী, পতিব্ৰতা সতী ;
ধৰ্ম্ম পৰায়না তুমি লঙ্কাৰ ঈশ্বৰী,
কুলৰ মঙ্গল অৰ্থে ভক্তিৰ ফুলেৰে
পূজিছিলা নিতে, সতি ! শঙ্কৰ শঙ্কৰী ॥
কিন্তু কিবা কুক্ষেণত স্বামীয়ে তোমাৰ
লক্ষ্মী স্বৰূপিণী সীতা কৰিলে হৰণ
পঞ্চবটী বনমাজে, চদ্ম যোগী বেশে
বিষম ভবিষ্য-ফল নকৰি চিন্তন ॥
ধৰ্ম্ম নিষ্ঠা তুমি, সতি ! বুলিলা স্বামীক,—
"পৰস্ত্ৰী হৰণ পাপ অতি গুৰুতৰ,
বিশেষত, সতী সীতা, লক্ষ্মী স্বৰূপিণী
পূৰ্ণ-লক্ষ্মী অৱতাৰ, পূজিতা মৰ্ত্ত্যৰ ॥
কথা শুনা, প্ৰাণনাথ ! লঙ্কাৰ ঈশ্বৰ !—
ক্ষমা মাগা বৈদেহীৰ ধৰি চৰনত :

ক্ষমাৱতী সতী সীতা, ক্ষেমিব তোমাৰ
যি কৰিলা অপৰাধ অজ্ঞান দোষত ॥
লঙ্কাৰ মঙ্গল হেতু জানকী দেবীক
ওলোটাই দিয়া, নাথ! ৰামৰ কাষত;
কমল লোচন ৰাম, দয়াৰ সাগৰ
ক্ষেমিব,-মাগিবা ক্ষমা ধৰি চৰণত ॥”
তোমাৰ স্বামীয়ে কিন্তু একো নামানিলে,
অন্তিমত ৰোগী যেনে নাখায় ঔষধ;
অশোক বনত কৰি বন্দিনী সীতাক,
নুশুনি তোমাৰ বাধা, ঘটালে বিপদ ॥

সতী তুমি; জানিছিলা সতীত্ব কি ধন,
সি বুলি সতীত্ব তুমি ৰখালা সীতাৰ;
নতু,—অসহায় সীতা, কি কৰি ৰাখিব
ৰাৱনৰ হাতে সতী-ধৰ্ম্ম আপোনাৰ?
তুমি, সতি! জ্ঞানৱতী; নুশুনি তোমাৰ
নীতি পূৰ্ণ উপদেশ লঙ্কা নাশ পালে;
একলক্ষ বীৰ পুত্ৰ, সৱা লক্ষ নাতী
সমৰ-ক্ষেত্ৰত প্ৰাণ ত্যজিলে অকালে!!
প্ৰাণসম প্ৰিয় পুত্ৰ ইন্দ্ৰজিত-শোকে
কান্দিলা বহুত তুমি হই উন্মাদিনী;

কলঙ্কৰ পাণী কিয় ঢালা, প্ৰাণনাথ ?
দুৰ্যশ তোমাৰ বৰ থাকিব মৰ্ত্ত্যত ॥
প্ৰবীৰ তোমাৰ পুত্ৰ, জনাৰ জীৱন
পাৰ্থে স'তে কৰি যুদ্ধ ঘোৰ সমৰত
কৰিলে পৰাণ ত্যাগ ; কি কাৰণে তুমি
শত্ৰুক নকৰি নাশ আহিলা ঘৰত ?
ত্ৰিজগতে কয়, নাথ ! মৰণৰ ভয়
ক্ষত্ৰীয়ৰ হৃদয়ত নোৱাৰে থাকিব ;
কিন্তু কি কাৰণে তুমি, ভয়ে বিপক্ষৰ
পশিলা শৰণ ? নাথ ! জগতে নিন্দিব !!
যোৱাঁ যোৱাঁ,—যোৱাঁ, নাথ ! ওলোৱাঁ বাহিৰ
যুদ্ধ সাজে ;—গই কৰাঁ যুদ্ধ ঘোৰতৰ ;
বিপক্ষক জিনি, কাটি শিৰ ফাল্গুনীৰ
আনি দিয়াঁ মোক, নাথ ! জুড়াওঁ অন্তৰ ॥"
এই ৰূপে বহু তুমি বুলিলা স্বামীক,
পুত্ৰৰ শোকত অতি বিয়াকুল হই ;
স্বামীয়ে তোমাৰ কিন্তু শুনি নুশুনিলে,
পাণ্ডৱৰ সইতে যুদ্ধ নকৰিলে গই ॥
সি মহা দুখত তুমি অভিমানী হই,
অকলে অকলে গ'লা ভ্ৰাতৃৰ ঘৰত

কান্দি কান্দি ; টুকি বহু চকুলো চকুৰ
বুলিলা সকলো কথা ভ্ৰাতৃৰ আগত ॥
স্বোৱামীৰ দৰে, হায় ! ভ্ৰাতৃও তোমাৰ
পাণ্ডৱে সইতে ৰণ, কৰিলে নিষেধ !
পুত্ৰ শোকাতুৰা তুমি, ক্ষত্ৰীয় কুমাৰী
লজ্জা পাই অন্তৰত, পালা বৰ খেদ ॥
দুখে অভিমানে পাছে জৰ্জ্জৰিতা হই,
পুত্ৰ শোক ৰূপ অগ্নি জ্বলাই হিয়াত,
বিসৰ্জ্জন দিলা দেহা, (প্ৰাণ আদৰৰ)
বিচাৰি শান্তিৰ ছঁয়া গঙ্গাৰ গৰ্ভত ॥

তিলোত্তমা।

সুন্দ উপসুন্দ দুটী দুৰন্ত অসুৰ
ব্ৰহ্মাৰ বৰত যেন্তে কৰি পৰাজয়
ইন্দ্ৰাদি অমৰ সবে ; স্বৰ্গ কাঢ়ি ল'লা
দেৱতাৰ কৰি বহু দুৰ্দ্দশা, বিলয় ॥
সিকালত, তিলোত্তমা ! দেৱগণে স'তে
ব্ৰহ্মাৰ কাষত গ'লা দেৱ পুৰন্দৰ,
বহু স্তুতিনতি কৰি, শুধিলা বিধিক
"কি উপায়ে হব ধ্বংশ দুষ্ট অসুৰৰ।"
ধীৰে ধীৰে কলে বিধি চাই দেবেন্দ্ৰক
"সুন্দউ পসুন্দ দুটী সহোদৰ ভাই,
নহ'লে বিচ্ছেদ দুয়ো কোনো উপায়েৰে,
অমৰণ দুয়ো ভাই, কাৰো মৃত্যু নাই ॥
সি কাৰণে, শচীপতি ! বিশ্বকৰ্ম্মা আনি
তিল পৰিমাণে তেজ লই দেৱতাৰ
(সকলো ত্ৰিদিব বাসী) নিৰ মোৱাঁ এটী
সুন্দৰী ৰমণী মুৰ্ত্তি অপূৰ্ব্ব বিভাৰ ॥
সেই ৰমণীৰ পৰা অমৰ সবৰ
অমৰত্ব হ'ব লাভ, স্বৰ্গৰ বিভৱ,

পাৰা তুমি অম্ৰাৱতী, পাৰা তুমি শচী
অনায়াসে পাব নাশ দুৰ্জ্জয় দানৱ ॥”
ব্ৰহ্মাৰ বচন শুনি, ইন্দ্ৰে তেতিক্ষণে
বিশ্বকৰ্ম্মা অনোৱাই গঢ়ালে তোমাক,
তিল তিল পৰিমানে দেৱ তেজ লই
কিবা মনোহৰ মূৰ্ত্তি ! কি সুন্দৰ নাক ॥
কিবা হাত, কিবা চকু, মুনি মনোহৰ—
কিবা ৰূপ, ৰূপ-প্ৰভা, পোহৰে জগত !
এনে সময়তে এটী আকাশৰ পৰা
পৰিলে আকাশী বাণী তোমাৰ কানত ॥ ৮
“সাধিব দেৱৰ কাৰ্য্য যোৱাঁ তুমি আজি
(দেৱৰ কাৰ্য্যতে, দেবি ! জনম তোমাৰ)
নন্দন বনত, সেই অমৰাৱতীৰ .
সুন্দ উপসুন্দে য’ত কৰিছে বিহাৰ ॥
লগে লগে যাব, দেবি ! সহায় লগত
আকাশত ৰ’ব, স’তে বসন্ত সখাৰ
ৰতি কাম দুয়োজন, থাকিব মলয়া
ৰিৱ ৰিৱ কৰি বলি কাষত তোমাৰ ॥”
গ’লা তুমি ধীৰে ২ গজেন্দ্ৰ গামিনী
নন্দন বনত, সেই অমৰাৱতীৰ

দুগুনে উজ্জ্বলে বন তোমাৰ ৰূপত
অপূৰ্ব্ব পোহৰ পৰি দেৱ—জেউতীৰ ॥
বিধিৰ বিচিত্ৰ লীলা—সুন্দ উপসুন্দে
দেখিলে তোমাক, দেবি! পৰিলে মোহত
মোহিনী ৰূপৰ তযু;—ধৰিবৰ মনে
দুয়ো ভাই গ'লা ল'ৰি তোমাৰ কাষত ॥
একে লগে দুয়ো ভায়ে, কামমদে মাতি
ধৰিলে তোমাক, দেবি! হই বিস্মৰণ,
সুন্দে বোলে "পত্নী মোৰ"-উপসুন্দে কয়,
"ভ্ৰাতৃবধু তোৰ, কিয় কৰ পৰশন?"
তোমাৰ মোহত পৰি, আজ্ঞা বিধতাৰ
পাহৰিলে দুয়ো ভায়ে;—ভ্ৰাতৃ বিচ্ছেদত,
তোমাৰ কাৰণে দেবি! তিয়াগিলে প্ৰাণ
পৰস্পৰে কৰি যুদ্ধ নন্দন বনত।
ধন্য ধন্য তুমি, দেবি! ধন্য বাদোঁ আমি,
দিক পাল সবে যাৰ ঘোৰ সমৰত
পৰাভূত মানি দিলে অমৰাৱতী এৰি,—
সংহাৰিলা তুমি তাক এক মুহুৰ্ত্তত ॥
দেৱকাৰ্য্য হেতু জন্ম আছিলে তোমাৰ,
দেৱতাৰ কাৰ্য্য তুমি কৰিলা সাধন

শেহত বিচাৰি ল'লা সূৰ্য্য-লোকে ঠাই
আদিত্য দেৱক কৰি স্বোৱামী বৰণ ॥

অৱজ্ঞা ।

শুক্ৰ গুৰু কন্যা তুমি, অৱজ্ঞা সুন্দৰি !
গঢ়িলে বিধতা জানো কত যতনত
তোমাৰ মোহিনী মূৰ্ত্তি জেউতিৰে ভৰা ;
যোগীৰো যে ভুলে মন তোমাৰ ৰূপত ॥
বনৰ হৰিনী, দেবি ! সঙ্গিনী তোমাৰ,
আপোনাৰ দেহ-ছঁয়া সখী চেনেহৰ ;
ফুলবাৰ দৰে ফুৰা তপোবন-মাজে
আপোন ৰূপত কৰি ফুলনী পোহৰ ॥
আনন্দময়ীৰ দৰে তুমিও ৰঙ্গিনা,—
নিজে খেলা, নিজে হাঁহা, আপুনি ৰজাই
প্ৰাণৰ লাহৰী বীণা, নিজে গোৱা গীত
(মন প্ৰাণ মুগ্ধকৰ)—পৰাণ ভৰাই ॥
কিন্তু, দেবি ! কান্দে প্ৰাণ ! কৰ্ম্ম দশা ফলে
দেখিলে তোমাৰ ৰূপ দণ্ডক ৰাজন,—

কামমদে মাতি ৰজা ধৰিলে তোমাক
সতীত্ব-ৰতন তযু কৰিব হৰণ ॥
বীনয় বচনে তুমি বুলিলা, সুন্দৰি !
"নকৰঁা গৰ্হিত কৰ্ম্ম কৰি বলৎকাৰ ;
শুক্রৰ জীয়াৰী মই, কন্যা অকুমাৰী,
শুনিলে শাপিব পিতা নাপাবা নিস্তাৰ ॥
কিন্তু যদি, মহাৰাজ ! আছে ইচ্ছা মোত
ক্ষন্তেক অপেক্ষা কৰা, শুধিবা গুৰুক,—
মহানন্দে দিব সপি তোমাৰ হাতত
অৰজাক,—পাছে, ৰজা ! কৰিবা সম্ভোগ ॥"
কামমদে মত্ত ৰজা নুশুনিলে মানা
বলেৰে কৰিলে তযু সতীত্ব হৰণ ;
এনেয়ে অবলা তুমি, তাতে অসহায়,
কি কৰিবা ? মাথোঁ, হায় ! কৰিলা ক্রন্দন ॥
সন্ধ্যা কৰি, আহি গুৰু সৰযূ তীৰত,
তোমাৰ দুৰ্দ্দশা যত ধ্যান বলে জানি,
কোৰোধত অন্ধ হই শাপিলে দণ্ডক,—
"সপ্ত দিনে ৰাজ্য তোৰ নাশিব অগণি। *

---

* এই শাপতেই দণ্ডক ৰজাৰ গোটাই ৰাজ্য সাদিনৰ দিনা, অগ্নিয়ে পুৰি ধ্বংশ কৰে। ৰজা নিজেও প্রজাদিয়ে সৈতে সেই জুইতে ধ্বংশ পায়। আজি কালি সেই ঠাইকে "দণ্ডকাৰণ্য" বোলে।

সি অগ্নিত পুৰি তয়ো সবান্ধৱে স’তে
ধ্বংশ পাবি, দুৰাচাৰ দণ্ডক অধম !
যতদূৰ ৰাজ্য তোৰ,-তোৰ অধিকাৰ,—
অগণিয়ে ততদূৰ কৰিব দহন ॥”

তাৰ পাছে শুক্রে, দেবি ! বুলিলে তোমাক,—
“কি হ’ব কান্দিলে আৰু ? এয়ে কৰ্ম্ম ফল !
দুখে সুখে ইবনত থাকি সাত দিন,
তাৰ পাছে যাবা স্বৰ্গে তিয়াগি ভূতল ॥”
পিতৃ আজ্ঞা মতে, পাছে, থাকি সিবনত
সাত দিন, তাৰ পাছে উন্মাদিনী হই,
কি ভাব মনত ভাবি, সৰযূ গৰ্ভত
আপোনাৰ দেহা, দেবি ! দিলা উটুৱাই ॥
আধাফুলা ঢোপাকলি, শুকালা অকালে
ফুলনী পোহৰ কৰি নাপালা ফুলিব’ ।
অকুমাৰী কন্যা তুমি, নিচিনিলা প্রেম
সংসাৰ-লীলাৰ চিত্র নাপালা দেখিব’ !!

জোচেফাইন্।

(JOSHEPHINE)

"জোচেফাইন্" ফ্রান্সৰ ৰজা নেপোলিয়ানৰ ৰাণী আছিলে। সেই সময়ত অষ্ট্রিয়া ৰজাৰ জীয়েক অগষ্টা মেৰিয়া পৃথিবীৰ ভিতৰত অদ্বিতীয়া স্থন্দৰী বুলি প্রখ্যাত পাইছিল। নেপোলিয়ানে তেঁওৰ ৰূপত মুগ্ধ হই, তেঁওক বিয়া কৰাবলৈ ইচ্ছা কৰিলে। ভয়তেই হওক, বা আন কোনো কাৰণেই হওক, অষ্ট্রিয়া ৰজাই নেপোলিয়ানলৈ জীয়েকক দিবলৈ সম্মত হ'ল। কিন্তু জোচেফাইনৰ জীৱদ্দশাত, দেশাচাৰ মতে, তেঁও আৰু এজনী তিৰুতা বিয়া কৰাব নোৱাৰে। যি জোচেফাইনৰ অতুলনীয় প্রণয়ত, যি জনি তিৰুতাৰ প্রেমময় হাঁহি মুখ দেখি, যাৰ মধুৰি মধুৰি কথা বিলাক শুনি, নেপোলিয়ানে সামান্য সৈনিকৰ পদৰ পৰা, অৱশেষত ফ্রান্সৰ সিংহাসনত ৰজা হ'গৈল, তেনেজনী তিৰুতাক তেঁও কেনেকৈ পৰিত্যাগ কৰিব? নেপোলিয়ানে ভাবি অবাক হ'ল !!

কিন্তু তেঁওৰ প্রাণসমা তিৰুতা জোচেফাইনে আন আন মানুহৰ মুখে এই বিলাক কথা এদিন শুনিব'লৈ পালে।—

PLEASE HANDLE THE BOOK CAREFULLY

জোচেফাইন।

জোচেফাইনৰ ভালপোৱা জোচেফাইনৰ নিজৰ নিমিত্তে নহয়। তেঁও যে নেপোলিয়ানক প্ৰাণতকৈও অধিক ভাল পায়, সেইটোও কেৱল নেপোলিয়ানৰ নিমিত্তেহে। কাজেই, ফ্ৰান্সৰ সিংহাসনে স'তে প্ৰাণতকৈও প্ৰিয় নেপোলিয়াণক এৰি দিয়াটো, জোচেফাইনৰ পক্ষে একো টান কাম বুলি বোধ নহ'ল। অগষ্টামেৰিয়াক বিয়া কৰি নেপোলিয়ান সুখী হ'ব, তেঁওৰ প্ৰাণৰ নেপোলিয়ান নিৰাপদ হ'ব, ইয়াত জোচেফাইনৰ আনন্দত বাজে আৰু কি হ'ব পাৰে? জোচেফাইনে নেপোলিয়ানৰ সুখৰ নিমিত্তে প্ৰাণ পৰ্য্যন্ত দিবলৈও পৰাঙ্মুখ নহয়।

গধূলী হ'ল;—ৰাজ কাৰ্য্যৰ পৰা নেপোলিয়ান নিজৰ শোৱা কোঠালৈ (অৰ্থাৎ জোচেফাইনৰ ওচৰলৈ) গ'ল। জোচেফাইনে নেপোলিয়ানক দেখিলে জগত পাহৰি যায়,—ওচৰতে নেপোলিয়ানক দেখি, মুহূৰ্ত্তৰ ভিতৰতে জোচেফাইনৰ হৃদয়ৰ পৰা সকলো বিলাক চিন্তা ভাবনা দূৰ হ'ল। তেঁও হাঁহি হাঁহি নেপোলিয়ানৰ বুকৰ মাজত মুখটো সুমালেগৈ; কিন্তু নেপোলিয়ানৰ হৃদয়ত সেই দিনা সেই দৃশ্য সহ্য নহ'ল! যি নেপোলিয়ানৰ হৃদয় শিলতকৈও টান বুলি জগতে জানে, যুদ্ধ ক্ষেত্ৰত মানুহৰ তেজেৰে দেশ ৰাঙলী কৰিও যাৰ হৃদয় ক্ষন্তেকৰ নিমিত্তেও গলি

যোৱা নাই, যাৰ চকুত কেতিয়াও কোনেও এটোপা চকুৰ পানী দেখা নাছিলে, সেই নেপোলিয়ানে সেই দিনা জোচেফাইনৰ দিঙ্গিত ধৰি, কান্দিবলৈ ধৰিলে কিন্তু জোচেফাইনে নাকান্দিলে,—তেঁও গিৰিয়েকৰ চকুৰ চকুলো মুছি দি ক'লে, "নাথ ! মই সকলো বিলাক শুনিবলৈ পাইছোঁ ; কিন্তু, চোঁৱাছোন—মই দেখোঁ কন্দা নাই ; তুমি কান্দিছা কেলৈ ?"

জোচেফাইনে যদি কান্দিলে হেতেন, কান্দি কান্দি যদি গিৰিয়েকৰ বুকু চকুৰ পানীৰে বুৰাই দিলে হেতেন, কিম্বা যদি খঙ্গ কৰিলে হেতেন, তেনেহ'লে নেপোলিয়ানে মনত সিমান দুখ নাপালে হেতেন !! নেপোলিয়ানে ক'লে,—"জোচি ! তুমি স্বৰ্গৰ দেবী; মই পশুতকৈও অধম, "মই নৰকৰ পিশাচ !—সেই কাৰণেই তুমি কন্দা নাই, কিন্তু মই কান্দিছো !" জোচেফাইনে আকৌ ক'লে, "নাথ !—তোমাৰ নিমিত্তে মই জ্বল জুইত জাঁপ দিব পাৰোঁ, তোমাক পৰিত্যাগ কৰি থাকিম, এইটো একো টান কাম নহয়। তোমাৰ সুখৰ নিমিত্তে, তোমাৰ নিৰাপদৰ নিমিত্তে, তোমাৰ ৰাজ্যৰ নিমিত্তে, ফ্ৰান্সৰ নিমিত্তে, মই নিজকে নিজে বলি দিব পাৰোঁ,—এইটো কি টান কাম ? নাথ ! মই যদি ইয়াত দুখ পালো হেতেন,

মই যদি ইয়াত কান্দিলো হেতেন,—তেনে হ’লে তুমি শোক পালা হেতেন,—কিন্তু যি স্থলত মই কন্দা নাই, মই দুখ পোৱা নাই,—তুমি কান্দিছা কেলৈ ? শোক কৰিছা কিয় ?”—কিন্তু নেপোলিয়ানৰ কান্দোন মাৰ নগল ! জোচেফাইনে আকৌ ক’লে, “নাথ ! জোচীৰ প্ৰাণৰ প্ৰাণ ! আজি মোৰ সুখৰ শেষ দিন ; আজি মোক সুখী হ’বলৈ দিয়া, আজি মোক শেষ হাঁহি হাঁহিবলৈ দিয়াঁ। আজি মই তোমাৰ সুখৰ নিমিত্তে তোমাক পৰিত্যাগ কৰি যাম আজি মোৰ বৰ সুখৰ দিন, আজি মই কান্দিম কিয় ?”—তাৰ পাছ দিনা, জোচেফাইনে গিৰিয়েকৰ সুখৰ নিমিত্তে, গিৰিয়েকক পৰিত্যাগ কৰি ফৰাচী ৰাজ্যৰ সিংহাসন এৰি দি, ৰাজ ভোগত জলাঞ্জলি দি, আমেৰিকাৰ ফালে যাত্ৰা কৰিলে ! যেতিয়ালৈকে জাহাজৰ পৰা ফ্ৰান্সৰ ঘৰ-দুৱাৰ বিলাক দেখা গৈছিলে, তেতিয়ালৈকে জোচেফাইনে হাঁহি হাঁহি আছিলে ; কিন্তু তাৰ পাছত, তেঁও যিটো কোঠাত সোমাইছিলে, তাৰ পৰা তেঁওক আৰু কোনেও ওলোৱা নেদেখিলে ! !

মানবী নোহোৱা তুমি, দেবী অৱতাৰ,
মানবীৰ ৰূপধৰি আছিলা মৰ্ত্ত্যত।

নহ'লে কি তোমাদৰে, হৰিষ মনেৰে
ৰমণীয়ে নিজ স্বাৰ্থ এৰে জগতত ?
"তিৰুতাৰ আত্মদান" স্বামীৰ নিমিত্তে,
জানো, জোচি ! এনে চিত্ৰ পঢ়িছোঁ। বহুত
প্ৰাচীন কাব্যত আৰু বুৰঞ্জী পুথিত,
তোমাৰ দ্বিতীয় কিন্তু নপৰে চকুত ॥
আহাহা ! স্বামীৰ দেখি মুখ বিষাদিত,
চিন্তাত বিভোৰ আৰু, শুধিলা যেতিয়া
সুমধুৰ ভাবে, জোচি ! "কি ভাবিছা, নাথ ?
"তোমাক বিমন দেখি বিদৰিছে হিয়া ॥

* * *
* * *
* * *
* * *

কোৱোঁ, নাথ ! নাভাৰিবা দেখোঁ কি কাৰণে
চিন্তাত বিভোৰ আজি, বিষাদিত মন ?
কি ভাবিছা ? কি আশঙ্কা ? মনত তোমাৰ
কোৱাঁ। নাথ ! কিয় আজি এনে উচাটন ॥
অৰ্দ্ধাঙ্গী তোমাৰ জোচী, তুমি জোচী প্ৰাণ,
কি দুখত দুখী তুমি জেচীয়ে নাজানে,

ই কথা ভাবিলে শেল বাজে হৃদয়ত,
"কান্দি কান্দি উঠে প্ৰাণ, প্ৰবোধ নামানে ॥"
আহা! জোচি! কথা শুনি স্বামীয়ে তোমাৰ
কিবা ক'ব, কি নক'ব বিচাৰি নাপালে!
এটী হুমুনীয়া কাঢ়ি বিষাদ মনত,
টোপা টোপে চকুপানী যেতিয়া টুকিলে,
স্বামীৰ হাতত ধৰি, বুলিব' ধৰিলা,
হাহি হাঁহি ৰঙ্গমনে, "কান্দা কি কাৰণে?
কি দুখত, কোৱাঁ, নাথ? কিবা শোক পাই
টুকিছা চকুৰ পানী সঘনে সঘনে?
নাকান্দিবা আৰু, নাথ! নোটোকা চকুলো,
নকৰা বেজাৰ, মই পাৰিছোঁ জানিব
কি কাৰণে বিষাদিত অন্তৰ তোমাৰ,
অষ্ট্ৰিয়াৰ মেৰিয়াক * খুজিছা আনিব ॥
দেশাচাৰ মতে * নাথ! এজনী তিকতা
থাকোতে লগত, আৰু আনিব নোৱাৰে;
সি কাৰণে, জানো তুমি এনে উচাটন।
সি কাৰণে, জানো, আজি চকুপানী সৰে ॥
নতু—
মেৰিয়াৰ কথা মোৰ পৰিলে কানত,

জানো, মোৰ অসন্তোষ জনমে মনত ;
জানো, মই কৰোঁ খঙ্গ, সেই বুলি নাথ !
কৰিছা মনত তুমি এনুৱা বিষাদ ?
দেশাচাৰ মতে, যদি আনা মেৰিয়াক,
জোচেফীক তিয়াগিব লাগিব তোমাৰ,
সি বুলি তোমাৰ, জানো, এনুৱা বিষাদ,
টুকিছা নীৰলে বহি, চকুলো দুধাৰ ॥
কিন্তু, নাথ ! কিয় কান্দা ? কিয় কৰা শোক ?
আনাঁ তুমি মেৰিয়াক, দুখী নোহোঁ মই ।
বৰঞ্চ সুখিনী মই তোমাৰ সুখত,
স্বাৰ্থপৰা জোচী, নাথ ! নহয় নহয় ! !
প্ৰাণতো অধিক জোচী ভাল পায়, নাথ !
তোমাক অন্তৰে স'তে, সেই ভাল পোৱা
কিন্তু, নাথ ! নোহে মোৰ নিমিত্তে নিজৰ,
তিয়াগিব পাৰোঁ প্ৰাণ যদি তুমি কোৱঁ ॥
মই যে তোমাক, নাথ ! অত ভাল পাওঁ,
সেই ভাল পোৱা মাথোঁ নিমিত্তে তোমাৰ ।
মেৰিয়াক বিয়া কৰি, সুখী হ'বা নাথ !
তাতনো জোচীৰ হ'ব পাৰেনে বেজাৰ ?

এনুৱা কালত, নাথ! এই দুৰ্দ্দিনত *
সকলো দেশৰ ৰজা বিপক্ষ তোমাৰ;
মেৰিয়াক বিয়া কৰি, হ'বা নিৰাপদ
মিত্ৰতা দোলেৰে বান্ধি ৰজা অষ্ট্ৰিয়াৰ॥
তোমাৰ জোচীৰ, নাথ! আনন্দ ইয়াত;
কিয় তুমি কৰা শোক? কিয় বিষাদিত?
মই কন্দা নাই নাথ! কিয় কান্দা তুমি?
চকুপানী সৰি সৰি পৰিছে মাটিত?"
ইবুলি যেতিয়া জোচি! ৰ'লা মনে মনে,
হুক্ হুক্ কৰি পুনু কান্দিব ধৰিলে,
টোপাটোপে উলিয়াই চকুলো দুধাৰ!
আহা, জোচি! তুমি যদি কান্দিলা হেতেন,—
কান্দি কান্দি চকুলোৰে বুকু স্বোৱামীৰ
বুৰালা হেতেন যদি, স্বামীয়ে তোমাৰ
নহ'লে হেতেন এনে শোকত অধীৰ॥
কিন্তু, জোচি! তুমি দেবী, তুমি হাঁহি হাঁহি
সুমুৱালা মুখ খনি স্বামীৰ বুকত

---

* এই সময়ত প্ৰায় গোটাই ইউৰূপ নেপোলিয়নৰ বিপক্ষ হই উঠিছিল।

(আহা, কি মধুৰ ভাব ! স্বৰগৰ ছবি !)
নস'লে ইদৃশ্য কিন্তু স্বামীৰ প্ৰাণত ॥
শিলতো অধিক টান বুলি যাৰ হিয়া
জনা আছে জগতত, সমৰ ক্ষেত্ৰত
তেজেৰে বোৱাই নই, কনা মাত্ৰো হায় !
নজনমে মায়া, দুখ যাৰ অন্তৰত।
তেন্তুৱা তোমাৰ জোচি ! প্ৰাণৰ স্বামীয়ে
কান্দিব' ধৰিলে লই তোমাক কোলাত ;—
সাদৰি বুলিলা তুমি "কন্দা নাই মই,
কিয় কান্দা তুমি ? কিয় কৰিছা বিষাদ ?"
স্বামীয়ে তোমাৰ কান্দি বুলিব ধৰিলা,—
"জোচি ! তুমি দেৱকন্যা, মই নৰাধম
নৰকৰ কীট মই সি কাৰণে প্ৰিয়ে !
কান্দো মই, দেবী তুমি নকৰা ক্ৰন্দন ॥"
সাদৰে আকউ জোচি ! বুলিব ধৰিলা,
"তোমাৰ নিমিত্তে পাৰোঁ জঁাপ দিব মই
জ্বলা অগণিতো, নাথ ! বলি আপোনাক

* এই ঘটনাৰ আগেয়ে নেপোলিয়ানক কোণেও কেতিয়াও কন্দা বা চকুলো টোকা দেখা নাই।

দিব পাৰেঁ। নিজে নিজে স্বোৱামীৰ হই ॥
ৰাজ ভোগ মই, নাথ। নকৰোঁ হেপাহ,
তোমাৰ নিমিত্তে মই হৰিষ মনত
তিয়াগিম ফৰাচীৰ ৰাজ সিংহাসন
তুমিয়ে, সইতে, নাথ। এই মুহূৰ্ত্তত ॥
নাকান্দিবা আৰু নাথ। আজি শেষ দিন,
জোচীৰ তোমাৰ, দিয়াঁ। হাঁহিব জোচীক ;
শেষ চোৱা লওঁ চাই তোমাৰ মুখত
অমিয়া মধুৰ সেই মুখৰ হাঁহিক ॥”
এই বুলি, আহা ' জোচি ! স্বামীক সাদৰী
ৰঙ্গে আলিঙ্গন কৰি, যেতিয়া হাঁহিলা,
লাবন্য প্ৰতিমা খনি সৰলতা ভৰা
সৰলতা মুৰ্ত্তি যেন মৰ্ত্ত্যত শোভিলা ॥
আহা। কি মধুৰ ভাব! স্বৰগৰ ছবি।
সি ছবি তোমাৰ, জোচি। কি কৰি আঁকিম ?
আম দুৰ্ভগীয়া অতি, নোহোঁ চিত্ৰকৰ,
দুৰ্ব্বলা লেখনী মোৰ কিৰূপে লিখিম্ ?
কিন্তু জোচি ! (ফাটে হিয়া !) থাকি সেই ৰাতি
স্বামীৰ লগত সুখে হৰিষ মনত

ফৰাচী বাসীক আৰু এৰি স্বোৱামীক,
পুৱা বেলা হাঁহি হাঁহি উঠি জাহাজত,
গ'লা তুমি (আহা ! জোচি !) আমেৰিকা ফালে
আনন্দ মনেৰে চিন্তি হিত স্বোৱামীৰ ;—
যদৱধি দেখে তুমি চাইছিলা সুখে
একেথিৰে, অধালাগি শোভা ফৰাচীৰ !!
দেখোঁতে দেখোঁতে হায় ! জাহাজ তোমাৰ
যেতিয়া অদৃশ্য হ'ল ফৰাচী ৰাজ্যৰ
টুকিছিলা মাথোঁ। তুমি দুধাৰি চকুলো !
আৰু এটী হুমুনীয়া—হতাশ প্রাণৰ !!

জোৱান ডাৰ্ক্।

JOAN D'ARC, THE MAID OF ORLEAN.

—জোৱান ডাৰ্ক (বা জোৱান অব্ আৰ্ক্) ফ্ৰান্স দেশৰ জ্বে, কুইচ ডাৰ্ক্ নামেৰে এজন কৃষকৰ ছোৱালী। ফ্ৰান্সৰ সিংহাসনত সপ্তম চাৰ্লচে ৰাজত্ব কৰোতে, ইংৰাজৰ সেনাই অৰ্লিন্ নগৰ অবৰোধ কৰে। তেতিয়া এই জোৱান ডাৰ্কে ইংৰাজ সেনাৰ লগত যুদ্ধ কৰি, ইংৰাজৰ হাতৰ পৰা মাতৃ ভূমিক ৰক্ষা কৰে। কিন্তু অৱশেষত এওঁক কৌশলেৰে ইংলণ্ডলৈ ধৰিলৈ গই ইংৰাজ বিলাকে জীয়াই-জীয়াই নৃশংস ভাৱে জুইত পুৰি মাৰিলে।

কৃষকৰ কন্যা তুমি, আজন্ম দুখিনী,—
পৰ্ব্বতৰ মাজে ভেড়ি ফুৰোঁতে চৰাই,
কোনে যেন দিলে কই দৈববাণী এটী
কানত তোমাৰ, জোনা! * মুকলী বজাই॥
"বীৰাঙ্গনা তুমি, জোনা! স্বৰগৰ পৰা,
জনম তোমাৰ মাতৃ-ভূমিৰ কাৰণে,

* জোৱান ডাৰ্কক "জোনা" বোলা হৈছে।

ফৰাচীৰ স্বাধীনতা ৰক্ষা কৰাঁ তুমি
অৰলিন অৱৰোধ কৰিছে ব্ৰিটনে ॥"
নির্জ্জন পর্ব্বত গুহা, ক'তো কোনো নাই,
অকস্মাতে শুনি এনে কথা গুৰুতৰ,—
ঘূৰি ঘূৰি চাৰু ফালে কত চালা, জোনা !
নেদেখিলা কিন্তু ক'তো চিন মানৱৰ ॥
ধোঁৱা বৰণীয়া পিন্ধি সাজ মনোহৰ
লাহে লাহে আহে দেবী সন্ধীয়া সুন্দৰী ;
আহিলা তুমিও, জোনা ! আপোন ঘৰত
কত ভাবি, মনে মনে কত চিন্তা কৰি ॥
তাৰ পাছে, আহা ! জোনা ! ক'লা তুমি যেৱে
ফৰাচী বাসীক সেই দৈববানী কথা,
কত উপহাস তুমি সহিলা প্ৰাণত,
কত গালি, কত, আহা ! অন্যায় লাঞ্ছনা !
কিন্তু, জোনা ! তুমি, হায় ! শিৰোধার্য্য কৰি,
সেই দৈববাণী সাৰি নির্জ্জন গিৰিৰ
দৃঢ়মনা হই গ'লা সমৰ ক্ষেত্ৰত,
ৰাখিব স্বাধীন পুন জনম ভূমিৰ ॥
জনম ভূমিত লাগি, উন্মাদিনী হই
সমৰ সোঁতত দিলা দেহা উটুৱাই,

জোৱান ডার্ক।

শক্ৰৰ তেজেৰে কৰি জন্ম ভূমি ৰঙ্গা,
স্বাধীনতা মহাধন আনিলা ঘূৰাই !
ভাৰতত, হায় ! জোনা ! প্ৰাচীন কালত,
দানৱ যুদ্ধত যেনে ভীমামূৰ্ত্তি শ্যামা,—
অলিন যুদ্ধত আৰু বিপক্ষ মাজত
ভয়ঙ্কৰা তেনে তুমি ভীমামূৰ্ত্তি, জোনা।
দানৱ দলন কৰি, পুৰি অম্বৰ
ৰাখিলা যিৰূপে দেবা নৃমুণ্ড মালিনী,—
ব্ৰিটনক হেৰুৱাই ৰাখিলা সিদৰে
স্বাধীনতা মহাধন ফৰাচীৰ তুমি ॥
কিন্তু, জোনা ! অৱশেষে, দুৰ্ভাগ্যৰ বলে !
বিপক্ষৰ হাতে পৰি হেৰুৱালা প্ৰাণ,
লাৱণ্য দেহাত সহি, বিপক্ষ সেনাৰ
অমানুষি অত্যাচাৰ, কত অপমান ॥
বীৰাঙ্গনা তুমি, জোনা ! আদৰ্শ ৰমণী
ফৰাচী বাসীৰ তুমি গৌৰৱৰ ধন,
কিন্তু অকালত, হায় ! আধাফুলা কলি
শুকুৱালে নিদাৰুণ সূৰ্য্যৰ দহন ॥
বহুদিন হ'ল, জোনা ! এৰিছা সংসাৰ,—
কিন্তু তথু আছে নাম আজিও জীয়াই !

জগত বাসীৰ, হায়! হৃদয় ফলিত
থাকিব তোমাৰ ছবি, মুছিলে না যায়॥
থাকিব যিমান দিন ফৰাচীৰ নাম,
যত দিন ইতিহাস থাকিব মৰ্ত্ত্যত,
থাকিব তোমাৰ নাম, ততদিন, জোনা—
হৃদয় পটত আঁকা, এই জগতত॥

বোডেচিয়া।

Queen Boadecea, the British Warrior Queen.

খৃষ্ট জন্ম হোৱাৰ ১ম শতাব্দিত আইচেনী বুলিবৰ এটা জাতীয়ে ব্ৰিটনত ৰাজত্ব কৰিছিল। বোডেচিয়া আইচেনী বিলাকৰে ৰানী। ৰোমৰ প্ৰধান সেনাপতি জুলিয়চ্ চিজাৰে ব্ৰিটন আক্ৰমণ কৰিবলৈ গৈ, বোডেচিয়া আৰু তেঁওৰ ছোৱালী দুটীক নানাৰকম অত্যাচাৰ কৰে। অৱশেষত মনৰ দুখত তেঁও আত্মঘাতী, হয়।

বোমৰ সেনাই যেবে ব্ৰিটন বাসীক
কৰিছিলে অমানুষি নানা অত্যাচাৰ,
সহিব নোৱাৰি তুমি কোমল প্ৰাণত, .
জনম ভূমিৰ দুখ-দেশীয় প্ৰজাৰ,-
বীৰাঙ্গনা ৰূপ ধৰি যুদ্ধ সাজ পিন্ধি
নগৰৰ ৰাজ তুমি হ'লা, বোডেচিয়া !
ঘোৰ সমৰত যোগ দিলা তুমি ৰঙ্গে,
অতুল সাহসে বান্ধি আপোনাৰ হিয়া ॥
গভীৰ গৰ্জ্জন কৰি, ভীমামুৰ্ত্তি ধৰি
কৰিছিলা বিপক্ষেৰে যুদ্ধ ঘোৰতৰ,—
তিষ্ঠিব নোৱাৰি কিন্তু সমুখ যুদ্ধত
তিয়াগি তোমাক গ'ল সেনা ব্ৰিটনৰ ॥
শত্ৰুৰ মাজত হই অকল সৰীয়া
অকলে অকলে যুদ্ধ কৰিলা বহুত,
বিপক্ষ সেনাৰে স'তে বীৰাঙ্গনা দৰে,
অতুল সাহস লই লাহৰী বুকুত ॥
কিন্তু হায় ! কত বেলি পাৰেনো সহিব
আশ্ৰয় বিহীন লতা বেগ ধুমুহাৰ ?
অকল সৰীয়া তুমি বিমুৰ্চ্ছিতা হই
পৰিলা মাজত, ৰাণি ! বিপক্ষ সেনাৰ ॥
ধৰিলে তোমাক, ৰাণি ! আজ্ঞা চিজাৰৰ *

---

* জুলিয়চ্ চিজাৰ।

চমটাৰে মাৰি পিঠি কৰিলে ৰাঙ্গলী !—
নিদাৰুণ অত্যাচাৰ ! পাই অপমান
কোৰোধত ভাহি, হ'লা আউলী বাউলী
ক্রোধ আৰু বেজাৰত হই বিয়াকুল
গুৰুৰ (১) কাষত গ'লা আদেশ বিচাৰি,—
দুৰ্দ্দশা তোমাৰ দেখি শত্রুৰ হাতত,
টুকিলে গুৰুৱে, ৰাণি ! চকুলো দুধাৰি ॥
দুমুনীয়া কাঢ়ি গুৰু বুলিলে তোমাক ;—
"কান্দিছে পৰাণ দেখি, অৱস্থা তোমাৰ
শত্রুৰ হাতত, ৰাণি ! তিৰোৰ দেহাত
এনেকুৱা অত্যাচাৰ ! পাপীষ্ঠ চিজাৰ।
কিন্তু, ৰাণি ! তুমি একো নকৰঁা বিষাদ,
ই পাপৰ প্ৰতি-ফল পাব ৰোমবাসী !
'ধ্বংস পাব ৰোম-ৰাজ্য !' তেজেৰে তোমাৰ
এই কথা থোৱা তুমি হৃদয়ত লিখি ॥
সহস্ৰ সহস্ৰ ৰাজ্য কৰি পদানত
বিখ্যাত হইছে ৰোম, কিন্তু ই গৌৰৱ
ধ্বংস পাব অতি শীঘ্ৰে, জানা তুমি, ৰাণি !

(১) ব্ৰিটন বিলাকৰ পুৰোহিত বা Druid

অচিৰেই পাব লয় ৰোমৰ বিভৱ !!
পাছৰ ৰোমানে, ৰাণি ! যুদ্ধ-বিদ্যা এৰি
মন প্ৰাণ সমৰপি দিব সঙ্গীতত
নৃত্যগীত কৰি যশ আৰ্জ্জিব তেতিয়া,—
নাথাকিব শক্তি কিন্তু কাৰো সমৰত ॥
তেতিয়া তোমাৰ, ৰাণি ! ভবিষ্যত বংশ
ৰণতৰী সাজি,—লই অস্ত্ৰ অগণিৰ (২)
দুৰ দুৰন্তৰ দেশ কৰি দিগ্বিজয়,
আৰ্জ্জিব অক্ষয় কীৰ্ত্তি ব্ৰিটন-বাসীৰ ॥
কাণেৰেও যি দেশৰ নাম শুনা নাই
চিজাৰে ৰোমৰ, ৰাণি ! পাছত তোমাৰ
সতি সন্ততিয়ে তেনে সাম্ৰাজ্য অনেক
দিগ্বিজয় কৰি, যশ আৰ্জ্জিব আমাৰ ॥"
গুৰুৰ মুখত শুনি এনুৱা বচন
উলাহে ভৰিলা তুমি, মুচি চকুপানী
দুয়োটি চকুৰে পৰা ; ভীমামূৰ্ত্তি ধৰি
আহিলা আকউ ঘূৰি সমৰত, ৰাণি !
বিপক্ষক চাই খঙ্গে বুলিব' ধৰিলা,—

(২) আগ্নেয় অস্ত্ৰ বা বন্দুক।

"পাপীষ্ঠ! পামৰ! দুষ্ট সেনা ৰোমানৰ!
ই পাপৰ প্ৰতিফল পাবি অচিৰেই;
অচিৰেই পাব নাশ গৌৰব ৰোমৰ॥"
এই বুলি কৈৰে, হায়! শোক বেজাৰত
জৰ্জ্জৰিত হই তুমি আত্মঘাতী হ'লা!
শত্ৰুৰ হাতত প্ৰাণ নিতিয়াগোঁ বুলি
জানো,—আপোনাৰ প্ৰাণ আপুনি নাশিলা॥

লায়লা! *

কাছেমৰ কন্যা তুমি, লায়লা সুন্দৰি!
প্ৰেম যে কেনুৱা বস্তু, তুমি দেখা নাই;
আজন্ম অৱধি কিন্তু ভাবিছিলা নিতে
কায়েচকে (১) প্ৰাণে স'তে অতি ভাল পাই॥

* আৰব দেশীয় কাছেম নামেৰে এজন ধনী সদাগৰৰ জীয়েক।

(১) আৰব দেশেৰ আলিগহৰ বাদচাৰ পুতেক; এওঁ লায়লাৰ প্ৰেমত উন্মাদ; এওঁৰ অন্য নাম মজনু।

স্বৰ্গীয় সুন্দৰী তুমি, পৰী স্বৰগৰ,—
তোমাৰ ৰূপত মোহি দুৰ্ভগা কায়েচ্
প্ৰেমৰ ব'ৰাগী সাজি, বনে বনে ফুৰি,
ধিয়াই তোমাকে-ক্লেশ ভুগিলে অশেষ !!
আছিলে 'কায়েচ'—মজি তোমাৰ প্ৰেমত
'মজনু' নাম পালে পাছে,—কিন্তু দুৰ্ভগীয়া
ভাগ্য দোষে, তোমাহেন নাপালে ৰতন,
সেই দুখে মাথোঁ। তাৰ বিদৰিলে হিয়া ॥
সি শোক হিয়াত লই, হৃদয় ফলিত
তোমাৰ মোহিনী মুৰ্ত্তি আঁকি হেপাহেৰে,
ৰাজ ভোগ পৰিহৰি অৰন্য মাজত
ধিয়াঁলে তোমাকে মাথোঁ। একান্ত মনেৰে
তুমিও সুন্দৰি ! নিতে কত কান্দিছিলা
বিৰহ ব্যাকুল হই, ভাবি কায়েচক,—
দুচকুৰ চকুপানী নিতে বইছিল,
ভাবি সি মধুৰ মুৰ্ত্তি প্ৰাণৰ প্ৰাণক ॥
পিতাৰে তোমাৰ, পাছে, ছায়ালে (২) সইতে

(২) ছায়াল—নজিৰুদ্দিন নামে এজন বাদছাৰ পুত্ৰেক। এওঁৰ সম্পূৰ্ণ নাম "এবনে ছায়াল"। এওঁৰে স'তে লায়লাক মাক বাপেকে বলেৰে বিয়া দিছিলে, কিন্তু লায়লাই বিয়াৰ দিনা ৰাতিয়েই এওঁক বিশেষ অপদস্থ কৰি, নিৰাশ কৰি খেদি পঠালে।

বহুৰে তোমাক ধাৰ লাগিলে বিবাহ,
তুমি সতী পতিব্ৰতা, কায়েচৰ প্ৰাণ,—
ছায়ালক কৰিছিলা ছলেৰে নিৰাশ ॥
মন্দমতি নওফলে (৩) হই বিমোহিত,
ষড়যন্ত্ৰ কৰিছিলে তোমাৰ আশত ;—
ঈশ্বৰৰ ইচ্ছা! কিন্তু তিয়াগিলে প্ৰাণ,
আপোন কৰ্ম্মৰ ফল ভুঞ্জি অকালত ॥
তাৰ পাছে তুমি, সতি! কায়েচে সহিতে
অৰণ্যত গ'লা দুয়ো কত হৰিষত
বহুদিন পাছে পাই পৰাণৰ প্ৰাণ,
লভিছিলা স্বৰ্গ সুখ অৰণ্য মাজত।
তুমিও প্ৰেমিকা যেনে, কায়েচো প্ৰেমিক,
দুয়ে দুয়োটীকে পাই পালা স্বৰ্গ সুখ,—
দৰিদ্ৰে লভিলে ধন-নতু যেনেকুৱা
হৰ্ষ পায় অপুত্ৰকা, দেখি পুত্ৰ মুখ ॥

(৩) নওফল,—এওঁ এজন বাদছা ; এওঁ প্ৰথমতে লায়লাৰে স'তে বিয়া দিম বুলি, মজনুক বনৰ পৰা নগৰলৈ লৈ গৈছিলে ; পাছত লায়লাৰ ৰূপত নিজে মোহিত হৈ, মজনুক বিহ খুৱাই মাৰিবলৈ চেষ্টা কৰিছিল। কিন্তু ঈশ্বৰে তেওঁৰ আশা ফলবতী নকৰিলে। মজনুক খুৱাবলৈ থোৱা বিহ, ভুল ক্ৰমে নিজে পান কৰি, তেওঁ সংসাৰৰ পৰা চিৰ বিদায় ললে।

কিন্তু সি হেপাহ, সতি! নউ পূৰুতেই
পিতাৰে তোমাক গই পালে সি বনত ;—
কায়েচৰ প্ৰাণ তুমি,—নিদি কায়েচক
তোমাক ঘূৰাই পুনু আনিলে ঘৰত ॥
কত ভাবি, কত কান্দি চকুপানী টুকি
কায়েচক ভাবি ভাবি হ'লা বলিয়ানী ;
খাওঁতে শোওতে কিম্বা ফুলনী মাজত
কায়েচ তোমাৰ ধ্যান, তুমি উন্মাদিনী ॥
ইৰূপে থাকোতে, পাছে, লায়লা ! এদিন
গভীৰ দুপৰ নিশা, অকলে ঘৰত
বীনাতো মুৰলা ধ্বনী কায়েচৰ গীত
পৰিলে হঠাত আহি, তোমাৰ কানত ॥
মুৰুলীৰ মাত শুনি, তাহানি কাল্লত ॥
হইছিলে যেনে দশা ব্ৰজ গোপিনীৰ,—
কায়েচৰ গীত শুনি, হ'লা উন্মাদিনী
তুমিও, সুন্দৰি ! হায় ! ওলালা বাহিৰ ॥
প্ৰাণৰ দেৱতা, সতি ! মূৰ্ত্তি কায়েচৰ
অকস্মাতে পাই, পুনু হাতে স্বৰ্গ পালা ;
দিঙ্গিত সাবতি ধৰি কান্দিলা বীনাই,
পাছত কি হ'ব কিন্তু পো না ভাবিলা ॥

উঠিলে পিতাৰা শুনি ধ্বনী কান্দোনৰ,—
দুয়োকেই দিলে বহু গালি অপমান।
ধিয়াই তোমাৰে নাম, কায়েচে আকউ
অৰণ্যত গ'ল, ৰাখি তোমাতে পৰাণ॥
মৰাই তোমাক খঙ্গে বুলিব ধৰিলে,
"কুল কলঙ্কিনী তই, লায়লা! ডাইনি!
ন জানো কি পাপ ফলে ধৰিলো গৰ্ভত
জিয়াৰী নিচিনা তোৰ মিছাতে পাপিনী!
দেখাব নোৱাৰা হ'লো তোৰ কাৰণেই
মানুহক মুখ, তই কলঙ্ক আনিলি!
কায়েচৰ প্ৰেমে মজি পবিত্ৰ বংশত
কলঙ্ক নইৰ পানী আনন্দে ঢালিলি॥"
মাতৃৰ মুখত শুনি কঠোৰ বচন,
ধীৰে ধীৰে তুমি, সতি! বুলিব ধৰিলা,—
"প্ৰেম প্ৰণয়ৰ মই একোকে নাজানো,
মিছাতে ইমান, মাতৃ! কিয় গালি দিলা?
বালী ঘৰ সাজি সাজি উমলি ফুৰোঁতে
সৰু বয়সত, সেই তাহানি কালত,
কায়েচে সইতে মোৰ ভালপোৱা হয়,—
গালি দিছা নেকি, মাতৃ তাৰেই দোষত?

কিন্তু কি কৰিম ? মই কৰিছোঁ। যতন
সেই স্নেহ ভালপোৱা নোৱাৰি ভুলিব ;
ঈশ্বৰৰ ইচ্ছা মাত্ৰ ! মোত দোষ নাই !—
কায়েচৰ চিন্তা মোৰ নিতউ থাকিব ॥”
এই বুলি তুমি, সতি ! কান্দিব ধৰিলা,
কায়েচক ধ্যান কৰি হিয়াৰ মাজত ;
“কায়েচ ! কায়েচ !!” কৰি হ’লা উন্মাদিনী
বিৰহৰ তাপ স’ব নোৱাৰি প্ৰাণত ॥
তাৰ পাছে, আহা ! সতি ! দুষ্টা নচিৰণে (৪)
পাহৰাবলই কত কৰিছিলে ছল
কায়েচৰ প্ৰেম ;—কিন্তু মহা সতী তুমি,
নুভুলিলা কায়েচক,-লায়লা অটল !
এদিন থাকোতে শুই, পুঁৱতী ৰাতিত
দেখিলা সপোন তুমি-তোমাৰ কাৰণে,—
তোমাৰ বিৰহ জ্বালা সহিব নোৱাৰি,
ত্যজিলে কায়েচে প্ৰাণ বনত গোপনে ?
“লায়লা ! লায়লা !!” বুলি মৃত্যুৰ আগত
কান্দিছিলে বহু যেন উন্মাদৰ দৰে,—
তাৰ পাছে,-বিষাদৰ হুমুনিয়া কাঢ়ি

(৪) এজনী বুঢ়ী।

ত্যজিলে পৰাণ যেন দুখিত অন্তৰে ॥
সাৰ পালা তুমি, সতি ! কান্দিব ধৰিলা
সপোনত দেখা পাই মৃত্যু কায়েচৰ,—
মাৰাৰ পাৱত ধৰি, ক’লা কান্দি কান্দি,—
“আজি শেষ হ’ল মাতৃ এই জীৱনৰ ॥
অভাগিনী কলঙ্কিনী লায়লা তোমাৰ
দায় দোষ ক্ষমা কৰা,—মাগিছোঁ বিদায়,—
যাও আজি সিৰাজত গইছে যলই
পৰানৰ প্ৰাণ মোৰ, বহু দুখ পাই ॥
দেখিলো স্বপ্নত, মাতৃ ! মজনু আৰু নাই !—
নাই মৰজগতত, নৰ দেহা এৰি
গইছে স্বৰ্গত আজি, উঠি বিমানত
প্ৰাণৰ কায়েচ মোৰ দেৱমূৰ্ত্তি ধৰি ॥
মজনু মোৰ প্ৰাণ, মাতৃ ! মজনুৰ মৃত্যুত
লায়লাৰো মৃত্যু হ’ল,—নাকান্দিবা তুমি ;
জনম অৱধি দিলো বহুত কেলেশ,
ক্ষমা কৰা অপৰাধ মই অভাগিনী ॥
কিন্তু যদি মৃত্যু হোৱা নাই কায়েচৰ ;
ভাগ্যবলে,—যদি তেঁৱে স’তে দেখা হয়,
ক’বা, মাতৃ ! নুভুলিবা লায়লাৰ কথা,

কিৰূপে পৰাণ আজি তিয়াগিলো মই ॥
এই বুলি তুমি, সতি! মুদিলা দুচকু;
অন্তৰত কৰি ধ্যান মুৰ্ত্তি কায়েচৰ;
নশ্বৰ জীৱন এৰি, পালা স্বৰ্গলোক
অনন্ত সুখৰ ঠাই, অনন্ত প্ৰেমৰ ॥

শুধৰণী।

পিঠি	শাৰী	ভুলকৈ ছপাইছে	হ'ব লাগে।
১	৬	দোলেৰে	ডোলেৰে
৪	৮	”	”
৪১	৮	”	”
৬৯	৪	”	”
২	২, ৩	বীৰলে	বিৰলে
”	১০	ধুপ	ধূপ
৩	১২, ১৪	এটী	এটি
৪	৪	”	”
৮	৪	”	”
১০	৭, ১০	”	”
৪২	১৬	”	”
৪৩	১	”	”
৪৪	৯	”	”
৫৬	১৫	”	”
৫৭	৯	”	”
৭৩	১১	”	”
৫	৮	ৰখিয়া	ৰখীয়া
৭	১১, ১৬	তযু	তযূ
৮	৮, ১৪	”	”
৯	৩	”	”

পিঠি	শাৰী	ভুলকৈ ছপাইছে	হ'ব লাগে।
১০	৭, ১৬	তথু	তথু
১১	৪	"	"
৭	১৪	দুটা	দুটি
৮	২০	"	"
৩৯	১	"	"
৪৪	৯, ১৩	"	"
৫৭	১, ১০	"	"
৮	৯	সব সে	সবংশে
১০	৬, ১১,	পৰিক্ষাত	পৰীক্ষাত
"	১৮	বিশ্বস্তব	বিশ্বস্তৰ
১১	১	সোৱামীয়ে	স্বোৱামীয়ে
"	৫, ১২	ছোৱালাটী	ছোৱালীটি
১২	১	চেষ্টাত	চেষ্টাতো
১৭	৯	দুৰ	দূৰ
১৫	১৭	দেখিছিলা ৰাণী	দেখিছিলা, ৰাণি !
"	১৮	দুয়োটী	দুয়োটি
১৭	১৬	"	"
২৯	১	"	"
১৮	১৫	ভনাটী	ভনীটি
৪৪	৭	"	"
২১	১৪	সপ্তৰথি	সপ্তৰথী
২২	৮	সুদেষণা জীৱন	সুদেষ্ণা জীৱন
"	১৩	সচা	সঁচা
৮২	১৩	দুয়োটীকে	দুয়োটিকে

পিঠি	শাৰী	ভুলকৈ ছপা হৈছে	হ'ব লাগে
২৭	৮	দুতে	দূতে
৩০	১৫	সতেৰে	সঁতেৰে
৩২	১৯	আশির্ব্বাদ	আশীৰ্ব্বাদ
৩৪	৬	"	"
৩৬	১৩	বেৱ	দেৱ
৩৯	৫	একেটা	একেটি
৪০	৫	ধ্বনা	ধ্বনি
৮৩	১১	"	"
৮৪	১	.	"
৪১	৪	ধ্বংশ	ধ্বংস
"	১৭	পাচোটাৰ এটা	পাচোটিৰ এটি
৪২	৪, ১৫	ত্ৰাশা	ত্ৰাসা
৪৩	৪	ল'ৰাটি	ল'ৰাটি
৪৪	১০	পাচোটা	পাচোটি
৪৬	৬	ত্যাগা	তিযাগি
"	১১	জৈষ্ঠ	জ্যেষ্ঠ
"	(ফুটনোট)	ক'লা কৃত্তিবাসা	বঙ্গলা কৃত্তিবাসী
৪৯	৪	শান্তণা	শাস্তনা
৫৬	৬	বিলায	বিলাই
"	৮	ধ্বংশ	ধ্বংস
৬২	৮	একণী	এগৰাকী
"	৯	যিকণি	যি গৰাকী
"	১১	তেনে জনা	তেনে গৰাকী

পিঠি	শাৰী	ভুলকৈ ছপা হৈছে	হ'ব লাগে
৬৪	৩	দিঙ্গিত	ডিঙ্গিত
৮৩	১৯	„	„
৬৮	১৫	কোৰে	কোৰা
৭১	১০	সাদৰী	সাদৰি
৭২	৬	অধালাগি	তধালাগি
৮০	(ফুটনোট)	আৰব দেশেৰ	আৰব দেশৰ

—এৰা পৰি গৈছে—

৬৯	৯	শাৰীৰ পাছত

"স্বামীয়ে তোমাৰ ধৰি ডিঙ্গিত তোমাৰ।

জাননী।

শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱাৰ

কমতাপুৰ ধ্বংস কাব্য বিৰহিনী-বিলাপ কাব্য	}	(একে লগে বন্ধা) দাম—পকাবন্ধা ১॥০ „ কেঁচাবন্ধা ১৵০

Opinions :

(1)

"It is an excellent book and I have not the slightest doubt that this beautiful production of your literary efforts will enrich our literature I have read some of the poems, and I find them to be very very sweet, indeed You have dedicated the poems of the second portion of your book to lovelorn ones. They will feel, I doubt not, that you have struck the right chord in their hearts when they read them May I hope, that you will bring out some more books, so that our language may be indebted to you all the more? * * *

I remain &c

Sd. J. BOROOAH.

Bar-at-Law, E. A. C. Principal.

Earl Law College, *GAUHATI.*

(2)

"I have no hesitation in saying that your language is a new departure in Assamese Blank Verses and I fully approve of your style. * * * The Modern Assamese Literature is very poor in Kavyas, and I am really glad to see that you have turned your attention to that department. Wishing you all success in your literary life.

Yours sincerely,
Sd. H. C. GOSSAIN.
Formerly, personal Assistant to the Commr. A. V. D., and now.
E. A. C. Nowgong.

---

(3)

In your "Komotapur Dhvansa Kabya" you have met with some amount of success. And for that, I congratulate you heartily. You have given sufficient proof of your easy flow.

Yours sincerely.
Sd. P. GOHAIN M. A.
(Formerly, professor, Cotton College, Gauhati).

:2

(4)

" Even the casual reader can not fail to be impressed with your flow and originality. These are the two elements which distinguish poetry from verse.'

Your sincerely,
Sd. DURGESVAR SHARMAH B. L.
(E. A. C. Dhubri).

(5)

"The books have been highly appreciated by the pupils. Personally I am highly pleased that you have succeeded in a great measure in enriching our poor Mother tongue."

Yours sincerely,
Sd. KAMALA KANTA SARMAH.
(Supdt. Training School, Jorhat.)

(6)

" I am really much pleased with the book, and admire you for your literary ability. The book is nicely got up and replete with poetical ideas.

Yours truly,
Sd. B N BHATTACHARJJYA,
(Head Clerk, Sudder Court, Jorhat)

' Every chapter is prepared by appropriate quotations from English poets. We greatly appreciate the book for its language, which is decidedly Assamese, its metrical construction and beautiful style. Such publications are, no doubt, an invaluable addition to the literature of the country."

Times of Assam, 29th March 1913.

তিক্ততাৰ আত্মদান বা জয়মতী কাব্য।

দাম—৸০

Opinions.

(1)

"* * * * So impressed I am with its fluent diction, elevating moral tone, and excellent delineation of the historical and ever memorable incident of Godadhor's Queen, that I have written to the Educational Authority at Shillong for appointing your this Kavya as a far better text book for Normal School pupils * * * * I do not know, if they will accept our suggestion, but I have done my duty by pointing out the best book in the field. Your this book with shed brilliant lustre in the Assamese Literature and secure for you imperishable fame for ever."

Yours sincerely,
Sd. KAMALA KANTA SARMAH.
(Supdt. Training School, Jorhat.)

(2)

"* * * The subject is a most interesting one, and the history of Ranee Joymotee is a national asset, which I doubt not, you have dealt in your poem creditably.

Yours sincerely,

Sd. SARAT CH. GOSWAMI, B. A., B. T.,
(Asstt. Inspector of Schools,
A. V. Circle), Jorhat.

(3)

"I have read the books with interest and admire your thought and diction which testify to a successful combination of depth of thought and easy flow. Your books really mark a new departure in Blank Verse in the Assamese Language, which is still not well off in the matter of Kabyas. I hope and trust, these excellent productions of yours will tend to enrich our literature. I wish you all success in your literary efforts."

Yours sincerely,
Sd. KAMALA K. BARUAH.
Personal Asstt. to the Director of public Instruction, Assam.

(4)

"* * * * * Your book, to speak the least of it, occupies a higher pedestal among literatures of like nature,—embodies, as it does, the noblest of all themes and delineated as it is, by a riper man like you, in a language at once lucid and a style unconstrained. It will find a ready response in all "Satis" hearts and make them realise where in lies the excellence of their virtue. I have gone through it several times, and each succession followed by a greater sensation than before. I wish you all success, and doubt not, that the book will be largely read by both sexes with equal interest."

Sincerely yours,
Sd. B. N. PATANGIA. (B. A).

(5)

"* * * * Words indeed fail to express my sense of deep gratitude to you for your generosity in presenting me with your valuable and epoch-making works 'Tolsara Foolar Duti' and 'Tirutar Atmádan Kabya'—choice flowers culled from the Eden Garden of poetry, * * * * I hope and trust, your second venture will be accorded as warm a reception by the public, as the first has been. * * * The English Quotations with which they are replete are really apt and happy. One can not but be struck with the ease, the flow, the spontaneity and the lyrical beauty of your poetical pieces."

Yours Sincerely,

Sd. PADMADHOR CHALIHA B. A.

(6)

"Tirutar Atmadan" * * The title of the book means 'A Woman's Self Sacrifice' and describes the life of an Assamese *sutte* in the person of Joymotee Kuori, the Queen of the well known Rajah Godadhor Singh of Assam. We can not sufficiently praise the author, who by the other works, has well established his claim as a talented Assamese Writer, for bringing into light the names of the heroes and heroines of the country from the womb of obscurity by such publications as the one under notice. * * * The book should be read by every educated woman of the country.

Times of Assam—7th March 1914.

PLEASE HANDLE THE BOOK CAREFU

মালিতা। (যন্ত্ৰস্থ) দাম—॥০

(ঐতিহাসিক উপন্যাস)

আহোম-কছাৰীৰ যুদ্ধৰ এটি শোকজনক দৃশ্য।

ডেচ্‌দিমোনা কাব্য। (যন্ত্ৰস্থ) দাম।০

মহাকবি চেক্ষপীৰৰ কবি-প্ৰতিভা সাহিত্য-জগতত অতুলনীয়। ডেচ্‌দিমোনা সেই কবিৰ "ওথেলো" নাটকৰ প্ৰধান নায়িকা। কাজেই, পাঠক সকলৰ ওচৰত "ডেচ্‌দি-মোনা"ৰ বিশেষ পৰিচয় দিয়াৰ অনাৱশ্যক।

যুদ্ধক্ষেত্ৰত আহোম ৰমণী (কাব্য)।

(অমিত্ৰাক্ষৰ ছন্দত লিখা বীৰ ৰসৰ কাব্য)

হাতেৰে লিখা অৱস্থাতে এই কাব্যখনি পঢ়ি চাই, কেইবা গৰাকিও কৃতবিদ্য ভদ্ৰলোকে কৈছে,—"মাইকেল মধুসূদন দত্তৰ "মেঘনাদ বধ কাব্য"ই যেনেকৈ বঙ্গলা ভাষাৰ যুগান্তৰ আনিলে, আপোনাৰ এই কাব্য খনিয়েও যে অসমীয়া ভাষাত যুগান্তৰ আনিব, তাৰ কোন সন্দেহ নাই।"

ছপাবলৈ যোজা কৰা হৈছে। চিঠি লিখি আগধৰি গ্ৰাহক হৈ থকা সকলক আধা দামত দিয়া হ'ব।

কিতাপ পোৱাৰ ঠিকানা

কমতাপুৰ ষ্ট'ৰ, চকলাটিঙ্গা পোঃ আঃ যোৰহাট।

DISTRICT LIBRARY
(HEM BARUA COLLECTIC